চান্দমামা

জুন ১৯৯০



মই চকু মুদিও অতি সহজে চিনি পাওঁ মোৰ আপোন ৰসনাক।

এইজনী ছবিনা নে প্ৰিয়া?

চকু বান্ধি কণা হোৰা খেলত
মই সদায় হাৰো পাই !
গতিকে মই এতিয়া কি কৰো তুমি
জানানে ? মই চকুমুদি
বহি থাকো
আৰু দাদাই মোক বেলেগ বেলেগ অৰেঞ্জ ড্ৰিংক্‌ছ্‌ দি থাকে।
মই খাই গৈ থাকো আটাইতকৈ জুতিলগাটো নোপেৰালৈকে।
আস্‌ ... এইটোৰেই ম-ম-মোৰ ৰসনা !

অৰেঞ্জ □ পাইনএপেল □ লাইম □ শাহী গুলাপ □ কালা খাট্টা □ কুল কচ □ কেশৰ এলাইচি □ মছলা সোডা (জল জীৰা) □ টুটি ফ্ৰুটি □ মেঙ্গো ৰাইপ □ গ্ৰেপ গ্ৰুভী

সজীৱতাপূৰ্ণ ৰসনা

11 টি আকৰ্ষণীয় সোৱাদ, আকৰ্ষণীয় দামত

খোৱা খোৱা সোণটি,
আটাইতকৈ মজাৰটো কোনটি?

বা:...এইটো ৰসনা হবই লাগিব।

Mudra:A:EAMR:5161 Ass.


In a class of its own
Exclusive pencils for one and all,
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style A consistent dark tone for effortless writing - micronized lead for unbreakable points are what adds to its superiority.
L.P.P. LTD. ✱ PREMIER ✱ 261 ✱ HB ✱ BONDED LEAD
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
PINKY
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
L.P.P. LTD. Geematic DRAWING 555 6B
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB
লজ অফ দা জাংগ্‌ল গেম
স্নেপ
ছাফাৰি গেম
মেগী ক্লাবঃ আহা লওঁ বনৰ আনন্দ!
বিনামূল্যে!
তোমাৰ উপহাৰবোৰ পাবা
মেগী নুডল্সৰ 5 টা খালি পেকেটৰ
সমুখৰফালৰ পৰা এই চিহ্নটো কাটা আৰু তোমাৰ পচন্দৰ যিকোনো এটা উপহাৰ বিনামূল্যে পাবৰ বাবে আমালৈ পঠাই দিয়া। প্ৰতিটো উপহাৰৰ বাবে এনে পাঁচটাকৈ চিহ্ন পঠাবা। তুমি 6ৰ পৰা 4 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা ৰং তামাচাৰে ভৰা মনোমোহা উপহাৰটো পাবা।
মনত ৰাখিবা :
যদিহে তুমি মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোতে তুমি বিচৰা উপহাৰৰ নামটো সহ নিজৰ নাম আৰু ঠিকনা জনাবলৈ নাপাহৰিবা। তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে সদস্য নম্বৰটোও জনাবলৈ নাপাহৰিবা।
Disney TODAY
ডিজ্‌নী টুডে কমিক
'ফৰেষ্ট ফেচেজ' কেপ আৰু মাস্ক্‌
MAGGI 2-minute noodles
আমাৰ ঠিকনা : দা মেগী ক্লাব,
পোষ্ট বক্স 5788, নিউ দিল্লী-110055
জাংগ্‌ল ষ্টেন্‌ডীজ ছে'ট
লগতে এটা উপহাৰ : তুমি যদি এতিয়াও ট্ৰেভেল ইন্ডিয়া গে'ম সংগ্ৰহ কৰা নাই তেন্তে এতিয়াই কৰা।
HTA 6679ASS

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙনি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

প্ৰকৃতি-প্ৰদূষণ

সম্প্ৰতি জাপানত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় উপভোক্তা সংঘৰ সঞ্চালক আনোৱাৰ ফজলে 'আমাৰ ভৱিষ্যৎ' নামৰ এক মহতী আলোচনাত অংশ গ্ৰহণ কৰি আমাক এই বুলি সতৰ্ক কৰিছে, "দিনক দিনে পানী আৰু বায়ু বিপদজনকভাৱে দূষিত হৈ উঠিছে আৰু এইদৰে পৃথিৱীৰ চাৰিও দিশৰ প্ৰাণবায়ু ক্ৰমাত গ্ৰহণৰ অযোগ্য হৈছে। মানৱকুল জীয়াই থকাৰ বিপক্ষে এই প্ৰদূষণে ভয়ংকৰ বিপদক আহ্বান কৰিছে। সেইহে, আমি এতিয়াৰেপৰাই এনেবোৰ প্ৰদূষণ বন্ধ কৰিবলৈ বিভিন্ন প্ৰকাৰৰ উদ্যোগ গ্ৰহণ কৰিব লাগিব।"

জনাব আনোৱাৰ ফজলে সঠিক কথাষাৰকে কৈছে। আমাক নিজ নিজ সামৰ্থ্য অনুসাৰে অৱশেই এনেবোৰ প্ৰদূষণ বন্ধ কৰিবলৈ ন ন আইন প্ৰণয়ন কৰি পানী, বা বায়ু, বা স্থলভাগ যাতে প্ৰদূষিত হৈ নপৰে, তাৰ বাবে অৰণ্যক ধ্বংস কৰা, পানীক দূষিত কৰা বা অন্যাগ ধৰণৰ বিভিন্ন অপৰিষ্কৃত অভ্যাসৰ বিৰুদ্ধে আমি ৰাইজক সজাগ তুলিব পাৰোঁ, তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰোঁ।

এই কাৰ্য্য পৃথিৱীৰ প্ৰতিজন নাগৰিকৰ কৰ্তব্য। আমাৰো।

বছৰ : ১৫   জুন ১৯৯০   **সংখ্যা : ৩**

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

CHANDAMAMA PUBLICATION

SANKAR

তুমি হাতেৰে যেতিয়া
চাপৰি বজোৱা
আৰু ভৰিৰে খটখটোৱা
লগতে যেতিয়া আসন এৰি
উৰা মাৰিবলৈ বিচাৰা...

একমাত্ৰ ফানবাইট-এহে সেই ধেমালি সম্পূৰ্ন কৰে তেতিয়া।

কেম্পকোৰ ফানবাইট।
ক্ৰীম সদৃশ, মচমচীয়া চকলেট।
ভিতৰত খচখচীয়া ৱেফাৰ আৰু
বাহিৰত তৃপ্তিদায়ক চকলেট।
ৰং-ধেমালিৰ সময় কৰি তোলে
আনন্দমুখৰ

ভাৰতৰ সৰ্ববৃহৎ সৰ্বাধুনিক প্লান্টৰ অৱদান

কেম্পকো লিমিটেড, মাঙ্গালোৰ

Other Campco chocolates: Milk / White / Treat / TURBO / Eclairs / mega bite / Playtime / RUBIES / TOFFEE / Campco beverages: WINNER / COCOA

R K SWAMY/CL/7804/AS

পৃথিৱীৰ খিৰিকীৰে

সাতাইছ বছৰৰ অন্তত সূৰ্য্যোদয়

বৰ্ণ-বিদ্বেষী দক্ষিণ আফ্রিকাৰ চৰকাৰৰ বিৰুদ্ধে সংঘৰ্ষ-লিপ্ত মহান নেতা নেলছন ম্যাণ্ডেলাক অৱশেষত সুদীৰ্ঘ সাতাইছ বছৰৰ অন্তত বিনা চৰ্তে মুক্তি দিয়া হ'ল কাৰাবাসৰপৰা। ইমান বছৰ ধৰি সহস্ৰ অত্যাচাৰেৰেও এউ বৰ্ণ-বিদ্বেষী দক্ষিণ আফ্রিকাৰ চৰকাৰে বৰ্ণভেদৰ বিৰুদ্ধে নেলছন ম্যাণ্ডেলাই সুদীৰ্ঘ সাতাইছ বছৰৰ আগতে আৰম্ভ কৰা আন্দোলন দমাব পৰা নাছিল। আজি সমগ্ৰ পৃথিৱীয়েই বৰ্ণভেদী দক্ষিণ আফ্রিকা চৰকাৰৰ এই বৰ্ণ-ভেদ নীতিৰ বিৰোধী। আজি তামাম দুনিয়া-খনেই বৰ্ণান্ধ দক্ষিণ আফ্রিকাৰ চৰকাৰৰ কঁকাল ভাগিবলৈ তৎপৰ। ম্যাণ্ডেলাৰ কাৰা-মুক্তি সমগ্ৰ বিশ্বৰ বৰ্ণান্ধতাৰ বিৰুদ্ধে সৰৱৰ প্ৰতিবাদৰ ফলশ্ৰুতি। সমগ্ৰ বিশ্বই আজি এই বাঞ্ছা কৰিছে — নেলছন ম্যাণ্ডেলায়েই হওক দক্ষিণ আফ্রিকাৰ অবিসম্বাদিত ৰাষ্ট্ৰপতি।

আফ্রিকা মহাদ্বীপৰ দক্ষিণ সীমাক দক্ষিণ আফ্ৰিকা বুলি কোৱা হয়। দক্ষিণ আফ্ৰিকাৰ চাৰি ভাগ হ'ল—কেপ্ অভ্ গুড্ হোপ, নেটাল, ট্ৰান্সভাল আৰু অৰিঞ্জ ফ্রিস্টেট। এই সকলোতে বহু কালৰেপৰাই চলি আছিল শ্বেত-শাসন। ১৯১০ চনত দক্ষিণ আফ্রিকাই স্বাধীনতা লাভ কৰা হ'ল। দক্ষিণ আফ্রিকাৰ ৰাজধানী হ'ল প্ৰিট'ৰিয়া। এই ভূখণ্ড

১২, ২১. ০৩৭ কিল'মিটাৰলৈকে বিয়পা।

পৃথিৱীৰ শ্ৰেষ্ঠতম সোণ আৰু হীৰা ইয়াতে পোৱা যায়। উৎপাদনতো অদ্বিতীয়। কিন্তু এইবোৰত আফ্ৰিকাৰ কৃষ্ণাংগ মানুহৰ কোনো অধিকাৰ নাই। কেৱল শ্বেতাংগইতৰহে অধিকাৰ। দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাংগ লোকসকল নিজ-ভূমিতে পৰবাসী। বৰ্ণ-বিদ্বেষী শ্বেতাংগ চৰকাৰে কৃষ্ণাংগ-সকলক বিভিন্ন অন্যায়-অবিচাৰমূলক বেআইনী আইনেৰে দমন কৰাৰ চেষ্টা চলাই গৈছে।

এই শ্বেতাংগ চৰকাৰে শ্বেতাংগইতৰ বাবে এক ৰকমৰ আৰু অ-শ্বেতাংগ সকলৰ বাবে অন্য ৰকম আইন প্ৰণয়ন তথা প্ৰচলন কৰিছে। এই অন্যায়ৰ প্ৰতিবাদত আফ্ৰিকাবাসী মুখৰ হৈ তীব্ৰ সংগ্ৰামৰ পথ লৈছে।

নেলছন ম্যাণ্ডেলা আছিল 'আফ্ৰিকান ন্যাশ্যনাল কংগ্ৰেছ'ৰ নেতা। দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ চৰকাৰে ম্যাণ্ডেলাক ২৭ বছৰলৈ কাৰাৰুদ্ধ কৰি ৰখাৰ অন্তত ১৯৯০ চনৰ ১১ ফেব্ৰুৱাৰিৰ দিনা মুক্ত কৰি দিছে। ম্যাণ্ডেলাৰ কাৰাগাৰত থকা কাল-চোৱাত তেওঁৰ পত্নীয়ে এই আন্দোলনৰ গুৰি ধৰিছিল।

বৰ্তমানে 'আফ্ৰিকাৰ ন্যাশ্যনাল কংগ্ৰেছ'ৰ আন্দোলন কেৱল তেওঁলোকৰে আন্দোলন নহয়, এই আন্দোলন হৈ উঠিছে বিশ্বৰ সকলোৰে বাবে এক বৰ্ণ-বিৰোধী প্ৰগতিশীল আন্দোলন। আফ্ৰিকীয় জনগণৰ এই আন্দোলনৰ প্ৰতি বিশ্ব-জনতাৰ ক্ৰমবৰ্ধমান সমৰ্থনলৈ লক্ষ্য কৰি দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি এফ. ডাব্লিয়ু. ডি. ক্লাৰ্কে ম্যাণ্ডেলাক মুক্তি প্ৰদানৰ দিহা লৈছিল। তেওঁৰ প্ৰকৃত উদ্দেশ্যৰ বাৰ্তা অজ্ঞাত, যদিও—তেওঁৰ আৰু ম্যাণ্ডেলাৰ মাজত বুজা-পৰা হোৱাটো আমিও আন্তৰিকতাৰে বিচাৰোঁ।

টোপনিৰ টিপনী

বিৰামপুৰত এজন বেপাৰী আছিল, তেওঁৰ নাম আছিল লোকেশ। ষাঠিৰ ডেওনা পায়েই লোকেশে পুতেক কেশৱৰ ওপৰত বেহা-বেপাৰৰ দায়িত্ব জাপি দিলে আৰু নিজে আয়-দায় নোহোৱা হৈ দিলে।

তেওঁৰ পুৰা আৰাম মিলিল; কিন্তু এই আৰামেই হাৰামহেন হৈ উঠিল।

গোটেই দিনটো লোকেশে বিভিন্ন সোৱাদলগা খোৱা-বস্তু বোৱাৰীক আৰু পৰিবাৰকো বনাই দিবলৈ কয়, সেইবোৰ গুৰুপাক বস্তু খায়, আৰু ৰাতিৰ পৰতে বায়ু উগ্ৰ হৈ উঠে, টোপনি নহা হয়।

আৰু সেইদেখি—আনৰ টোপনি দেখি লোকেশৰ খং উঠে। টোপনিত লালকাল দিয়া পৰিবাৰক জগাই তুলি লোকেশে সুধিলে, "হে—এৰা, গাখীৰখিনি ঢাকি থৈছানে? নহ'লে দেখোন মেকুৰীয়ে খাব।" পুতেকক টোপনিৰপৰা জগাই সুধিলে, "বোৱাৰীয়ে কেঁচুৰাটোক গাখীৰ খুৱালেনে? যাচোন তই—চাচোনগৈ।"

এনেবোৰ কাণ্ড কৰি থাকিলে কাৰনো বাৰু খং নুঠে? কিন্তু—হাঁজাৰ হওক গিৰিহঁত তাতে বুঢ়া। গতিকে—মনতে সামৰি পুতেক কেশৱে এনেকৈ কাৰো টোপনি খতি নকৰিবলৈ দেউতাকক কোমল মাতেৰে বুজাই ক'লে। আৰু ঠিক তেতিয়াৰেপৰাই লোকেশৰ অৱস্থা লেকাতলগাহেন হৈ উঠিল।

এতিয়াৰপৰা ৰাতিৰ পৰতে লোকেশৰ চকুযুৰি আৰু একোপধ্যে জাপ নোখোৱা হ'ল। ঘৰৰ কাকো জগাব নোৱাৰে যে অলপ কথা পাতিব। এই কাৰণে—

ৰমেন গোহাঞি

এৰাতি লোকেশ বাধ্যত পৰি বাহিৰমুৱা হ'ল, আৰু গৈ গৈ পুখুৰী পাৰৰ এজোপা তেঁতেলীৰ তলত ৰ'লগৈ। তাত এজন বয়সস্থ মানুহ টোপনিয়াই আছিল।

আৰু ঘৰৰপৰা ওলাই আহি বাহিৰত ইমান সুখেৰে এনেকৈ টোপনিয়াই থকা দেখি লোকেশৰ খং উঠিল। ঘৰত তেওঁ ইমান কোমল কপাহী গাঁৰুত মূৰ পেলায়ো দেখোন চকুৰ পিৰঠি জাপ খুৱাব নোৱাৰে, আৰু—ইনো মাটিত লেটি লৈ টোপনিত লাল-কাল দিব পায়নে?

লোকেশে আৰু থিৰেৰে থাকিব নোৱাৰি মানুহজনক জগাই সুধিলে, "কোনহে তুমি ইয়াত ইমান আৰামতে টোপনিয়াই আছা?"

টোপনিয়াই থকা মানুহজন ধহমহাই উঠি বহিল আৰু লোকেশক সুধিলে, "তুমিনো কোনহে? বদমাছনে ভূত?"

মানুহজনৰ কাষত মোটা লাঠি এডাল দেখা পাই অলপ ভীত দৃষ্টিৰে চাই লোকেশে ক'লে, "মই বদমাছ বা ভূত একো নহওঁ। কথা হ'ল—মোৰ ৰাতিৰ পৰতে একদম টোপনি নহা হ'ল। ঘৰৰ আন সকলোটিয়েই টোপনি-দগুৰা; মইহে ব-ছেৰা। সকলোটিৰ যেতিয়া নাকৰ ঘোৰ্ঘোৰণি উঠে, মোৰ তেতিয়া ধক ছুটে। তুমিয়েই কোৱাচোঁ বাৰু, মই কি কৰোঁ? সেইহে ঘৰ এৰি বাহিৰ ওলাই এইখিনি পাইছোঁহি। কিন্তু তোমাৰো দেখিছোঁ হেৰি—মৰ-টোপনি ঘোৰ্ঘোৰণি।"

মানুহজনে অলপ কিবা ভাবিলে, আৰু তাৰ পাছত ক'লে, "শুনক, মই হ'লোঁ গাঁৱৰ ৰাতিৰ পৰীয়া; মোৰ নাম গাবৰু। দিনৰ ভাগত কাম কৰি কৰি ভাগৰি পৰোঁ, সেইহে—ৰাতি য'তে পৰোঁ ত'তে মৰোঁ। ঘৰত নাতি-পুতিহঁতে একদণ্ড শুবলৈ নিদিয়ে। গতিকে—আজৰি পালেই টোপনিতে খোপনি লওঁ।"

লোকেশে কিছু সময় ধৰি কিবাকিবি

ভাবিলে আৰু ক'লে, "চোৱা গাবড়ু, তুমি দিনৰ টোপনি-বক্তা, মই ৰাতিৰ। গতিকে—আমি সময় কটাবলৈ বাঘভোল খেলিব পাৰোঁ। জোনৰ পোহৰেৰেই আমাৰ চলি যাব, কি কোৱা?"

"বঢ়িয়া প্ৰস্তাৱ!" গাবড়ুৱে কৈ উঠিল, "বাঘভোল খেলিবলৈ ময়ো ভালেই পাওঁ। কিন্তু—ৰাতিৰ পৰতে গাঁওখন পৰ দিব কোনে? যদি গাঁৱত চুৰি-ডাকি হয়, মোক চকিদাৰৰ চাকৰিৰপৰা চাকিন নোহোৱা কৰিব। গতিকে—বাঘভোল খেলি থকাৰ মাজতে তুমিও এবাৰ-দুবাৰ দুপাকমান ফুৰি আহিবা, পৰ দিবা, আৰু ঠিক সেই-খিনি সময়ত মই অলপ শুয়ো ল'ম। হ'ব—?"

লোকেশ গাবড়ুৰ প্ৰস্তাৱ মানি ল'লে, আৰু তেতিয়াই এহাত বাঘভোল খেলিবৰ মনেৰে তাত—গছতলত বহি দিলে।

অলপ সময় ধৰি বাঘভোল খেলাৰ অন্তত গাবড়ুৱে লোকেশক ক'লে, "মোক এতিয়া টোপনিয়ে জোকাইছে।" আৰু কৈয়েই সি মাটিত শুই দিলে আৰু লোকেশে লাঠিডাল হাতত লৈ গাঁৱৰ বাটে বাটে পৰ দিবলৈ ধৰিলে।

ৰাতিৰ পাছত ৰাতি এইদৰে চলি থাকিল। লোকেশে এতিয়া ৰাতিৰ পৰতে বাঘভোলো খেলে, চকীয়ালিও কৰে। মুঠতে—ঘৰৰ সকলোটি শুই নিঃপালি দিয়াৰ লগে লগেই লোকেশ ওলাই পৰে

আৰু পুনৰ বোৰাৰী পুৰাতে ঘৰলৈ ওভতে।

হঠাৎ এৰাতি পুতেক কেশৱৰ মনত কিবা এটা সন্দেহে বাহ ল'লে। প্ৰতি নিশা—দেউতা যায়নো ক'লৈ? এনিশা লোকেশ ওলাই যাওঁতে কিছু শব্দ উঠাত কেশৱে গম পাইছিল, আৰু ভাবিছিল যে—দেউতা নিশ্চয় সৰু পানী ছুবলৈহে গ'ল। কিন্তু বহু সময়ৰ অন্ততো যেতিয়া উভতি নাহিল—তেতিয়া কেশৱে একো ঠাৰৰ কৰিব নোৱৰা হ'ল।

আজি ৰাতি যেতিয়া লোকেশ ওলাল, তেতিয়া হাতত সাৰে ভৰিত সাৰে কেশৱে তাৰ দেউতাকৰ পিছ ল'লে আৰু সকলো কথাৰ ভেদ ভালকৈয়ে পালে।

লোকেশ মাজনিশা ওলাল, তেঁতেলীৰ তললৈ গ'ল, তাত চকীয়াল গাব্ৰুৰ সৈতে বাঘভোল খেলিলে, পাছত গাব্ৰু যেতিয়া টোপনিত লাল-কাল হৈ পৰিল। তেতিয়া মস্ত লাঠি এডাল হাতত লৈ লোকেশে চকীয়ালি কৰিবলৈ ধৰিলে। তাৰ পাছত—গাব্ৰুক জগাই—লাঠি ডাল তাৰ কাষত থৈ—লোকেশ পুনৰ ঘৰলৈ খোজ ল'লে।

এইবোৰ কথা-কাণ্ড কেশৱে আঁৰত থাকি নিজ চকুৰে দেখিলে।

তাৰ পাছৰপৰা কেশৱে দিনে-নিশাই ভাবি থাকিল — দেউতাৰ এই স্বভাৱৰ কেনেকৈনো পৰিৱৰ্তন কৰা যাব? কিন্তু কেশৱে কোনো উপায় নোপোৱা হ'ল।

এনেতে কেশৱৰ মোমায়েক গোস্বামী সিহঁতৰ ঘৰলৈ আহিল।

কেশৱে তাৰ মোমায়েকক দেউতাকৰ কথাখিনি ক'লে আৰু এই বিষয়ে গোস্বামীৰপৰা পৰামৰ্শ বিচাৰিলে।

সকলো শুনি গোস্বামীয়ে মৃদুকৈ হাঁহি ক'লে, "এয়া কোনো ডাঙৰ সমস্যা নহয়। তোমাৰ দেউতাৰাক অতি সহজে পোনাব পৰা যাব, চিন্তা নকৰিবা। আজি ৰাতি মই খাটোলা এখনত ঘৰৰ দুৱাৰমুখতে শুই থাকিম। মোৰ কাষত মস্ত লাঠি

এড ল থৈ দিবা। উপজি পুৰাতে যেতিয়া লোকেশ উভতিব, তেতিয়া কি হ'ব—তুমি নিজেই দেখা পাবা।"

সেই নিশাও বাঘভোল খেলি, চকীয়ালি কৰি, সকলো সামৰি-সুতৰি লোকেশ যেতিয়া পুনৰ ঘৰলৈ আহিল, তেতিয়া ঘৰৰ দুৱাৰমুখত খাটোলাত শুই থকা গোস্বামীয়ে লাঠি দাঙি লোকেশক ক'লে, "ভিনদেউ, গাবডুৰ লাঠিডাল দি থৈ আহিবলৈ পাহৰিলা দেখোন। এয়া—লোৱা গাবডুৰ লাঠিডাল।"

"গাবডু কোন? লাঠি—? লাঠি কিহলৈ?" লোকেশে আচৰিত হোৱা যেন হৈ ক'লে।

গোস্বামীয়ে হাঁহি মাৰি ক'লে, "চোৱাঁ, জোনাক ৰাতি গাবডুৰ লগত বাঘভোল খেলা, গাবডুৰ হৈ চকীয়ালি কৰা—এইবোৰ আমি নজনা-নেদেখা নোহোৱা-নোপজা নাশ্রুত-নাভূত কথা নহয়। গাঁৱৰ ৰাইজে এইবোৰ কথা-কাণ্ডৰ গম পায় যদি—লেই লেই ছেই ছেই কৰিব।"

"কিন্তু কোৱা—" লোকেশে অসহায়ৰ ভংগীৰে ক'লে, "ময়ো বা কি কৰোঁ? মই কেনেকৈনো দিনবোৰ-ৰাতিবোৰ কটাওঁ?"

"শুনা, তুমি দিনৰ ভাগত শুই থাকা বুলিহে ৰাতিৰ পৰতে টোপনি নহা হয়। দিনৰ ভাগত লাগিলে ঘৰুৱা কামকে কৰি থাকিবা, নাতি-নাতিনীয়েৰহঁতৰ লগত খেলিবা—দৌৰিবা—জঁপিয়াবা। তেতিয়া চাবা—ৰাতি টোপনি আহিব। কথাতে বোলে—দিনত শোৱে যি, ৰাতি জাগে সি। গতিকে — তুমি যদি মোৰ কথা মতে কাম কৰা, চাবা—বৰি-বকৰা নজনা টোপনিকে হাতৰ মুঠিত পাবা।"

গোস্বামীৰ কথাটো লোকেশৰ ভালেই লাগিল। গোস্বামীৰ কথা মতে কাম কৰি লোকেশৰ দুখময় ৰাতিবোৰ গুচি সুখময়, আৰু জীৱনো জয়জয়ময়ময় হৈ উঠিছিল।



ফালেঙীয়া কথা

সোণপুৰৰ ৰজাই ঘোষণা কৰিলে যে—যিবিলাকক কোনো নাম-ডাক যহ-খিয়াতি নালাগে, ৰাজ দৰবাৰলৈ আহক—আহিলে তেনেকুৱা লোকলৈ ৰাজকীয়সন্মান জ্ঞাপন কৰা হ'ব।

পাছদিনা ৰাজদৰবাৰত মানুহৰ খদমদম লাগিল। কাকো নাম যহ নালাগে, লাগে মাত্ৰ ৰাজকীয় সন্মান। ৰজাই মুচুককৈ হাঁহি মাৰি ক'লে, "বাৰু, তোমালোকে নিজক সন্মানৰ যোগ্য বুলি ভাবিছা। নহয় জানো? কিন্তু তোমালোকৰ এই ধাৰণা একেবাৰে ভুল। সন্মানৰূপী নাম-যহ লাগে বুলিহে আহিছা ইয়ালৈ। গতিকে—তোমালোক সন্মানৰ যোগ্য নহয়. গুচি যাব পাৰা।"

তেতিয়া প্ৰমোদ নামৰ ফালেঙী এটাই ৰজাক ক'লে, "মহাৰাজ, কোন সন্মানৰ লায়ক আৰু কোন নহয়—মই ক'ব নোৱাৰোঁ। কিন্তু এই কথা ক'ব পাৰোঁ যে—মই সন্মান পোৱাৰ পুৰাপুৰি লায়ক। কিয়নো—মোৰ নাম-যহলৈ সামান্যতম চিন্তাও নাই।'

"তেনেহ'লে সন্মান বিচাৰি আহিলা কেলেই?" ৰজাই সুধিলে।

প্ৰমোদে টপৰাই কৈ উঠিল, "মহাৰাজ, গাঁৱৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰা গাঁৱৰ ৰাইজে মোক সন্মান জনাবলৈ কিমান যে চেষ্টা নকৰিছিল! কিন্তু মই সদায় সেইবোৰ সন্মানক ঠেলি আঁতৰাইছোঁ, কিয়নো এইবোৰ মান-সন্মান নাম-যহৰ বিন্দুমাত্ৰ ইচ্ছাও মোৰ নাই। কিন্তু সেই সন্মান গ্ৰহণ নকৰাতহে মোৰ যশস্যা বাঢ়ি গ'ল। এতিয়া—মই যদি ৰজাৰপৰাও সন্মান গ্ৰহণলৈ অস্বীকাৰ কৰোঁ, মোৰ নাম-যহ দেশত আনকি বিদেশতো ফাটি-ফুটি যাব। সেইহে—বাধ্যত পৰিয়েই মই সন্মান ল'বলৈ আহিলোঁ।"

ফালেঙীৰ ফালেঙীয়া কথাত পৰিতুষ্ট হৈ ৰজাই প্ৰমোদক সন্মান জ্ঞাপন কৰিলে।

—ৰাধা অগ্ৰৱাল

দস্যু যুৱৰাজ

৮

আগৰ কথা : এসময়ত শান্তিৰে ভৰপূৰ হৈ থকা শান্তিপুৰ এতিয়া অশান্তিৰপুৰীহেন হৈ উঠিল। এতিয়া, মহাধূৰ্ত বীৰসিংহৰ শাসনাধীনত শান্তিপুৰত অবাধ অৰাজকতা। ৰজা শান্তিদেৱৰ কোনো খবৰ-বাতৰি নাই, বৃদ্ধ মহামন্ত্ৰীক মুখাধাৰী অজ্ঞাত বীৰে অমৃতপুৰীলৈ লৈ গ'ল. বসন্ত নামৰ যুৱকজনকো মুখাধাৰী বীৰে ৰক্ষা কৰিলে, আৰু ইপিনে শান্তিপুৰৰ শিশু ৰাজপুত্ৰকো সাধু জয়ানন্দই অৰণ্যতে সুৰক্ষাৰ বন্দবস্ত কৰি আন কোনেও নজনাকৈ অমৃতপুৰীৰ ৰজাৰ ওচৰলৈ গ'ল। তাৰ পাছত…

এইদৰে দিনবোৰ গৈ থাকিল. ৰাতিবোৰ পুৱাই থাকিল। আৰু ছালছিগা বীৰসিংহই ভাবি থাকিল যে এইবাৰ চুবুৰীয়াহঁতলৈ চকু মেলি চাব লাগিব. সিহঁতক পোনাবৰ বাবে সিহঁতৰ ৰাজ্যলৈ যাব লাগিব। কি নতুন সেনাপতি. কি চিপাহীবিলাকৰ চুবাদাৰ — সকলোকে ইয়াকে লাগে! আৰু যদি চুবুৰীয়া ৰাজ্যবিলাকত লুটপাত চলাব পৰা যায়—আমাৰ এই আহাৰ ছেদ হোৱা আলাসৰ লাৰু চিপাহীবিলাকেও কিছুদিনৰ বাবে যা হওক কাম পাব। সিহঁতকো দৰাচলতে ইয়াকে লাগে। গতিকে—সিহঁতে ক্ষণ মৰা বন কৰিলেও কৰক. তেও চুবুৰীয়াৰ ডিঙিত ভালকৈ ধৰক।

বীৰসিংহ ৰজাৰ চিপাহীৰ চুবাদাৰৰ ঘাই—অৰ্থাৎ যেইছা ৰজা বীৰসিঙৰ তেইছা

সেনাপতি ধিটিং টিং হ'ল—একালৰ চুবাদাৰ কপালকণ্ঠ। বীৰসিংহই কপালকণ্ঠক তেওঁৰ মনৰ কথা খুলি-মেলি ক'লে।

শুনিয়েই কপালকণ্ঠৰ মনত কাৰ দিন কাৰ ৰাতি লাগি গ'ল। ইমান দিন ধৰি এনেকুৱা নলগা তামোলত আঁটি বন্ধা বিধৰ কিবা এটা কামলৈহে বাট চাই আছিল। নিজৰ ৰাজাৰ মানুহখিনিক আৰুনো কিমান কিলাই থাকিবা?

কপালকণ্ঠই ক'লে, "হুজুৰ, ময়ো তেনেকুৱাই কিবাকিবি ভাবি আছিলোঁ কেইদিনমানৰপৰা। আৰু—এই শুভ কাৰ্য্যৰ বাবে যে এয়ে পকিষ্ট সময়—তাতো সন্দেহ নাই। কিয়নো—আমাৰ ৰাইজ আমাৰ ওপৰত অতিপাত বিতুষ্ট।"

"অৰ্থাৎ—? তুমি কি ক'ব খুজিছা?" বীৰসিংহই সন্দেহ সুৰতে সুধিলে।

"হুজুৰ—" গল-হেঁকাৰি মাৰি চুবাদাৰ গুচি সেনাপতি হোৱা কপালকণ্ঠই ক'লে, "কথা হ'ল — জানেই হুজুৰ — শিলে চিকুটিলে নখহে ক্ষয় হয়, আৰু আমাৰ হতমূকখ ৰাইজেও সেই সাৰ কথাটি নজনা-নুবুজাও নহয়। তথাপি—ৰাইজ যেতিয়া আমাৰ বিৰুদ্ধে উতলিছেই, সিহঁতমখাক ডাণ্ডাৰেনো কিমান ঠাণ্ডা কৰিব? গতিকে এয়ে হ'ল পথ, শিৰ চাই টোকৰ। আমি চুবুৰীয়াৰ ওপৰলৈ জঁপিয়াই পৰিলেই নাই তই নাই মইখন লাগিব, আৰু তেতিয়া আমাৰ বিৰুদ্ধে মাত মতাইঁতে শেন মেলি ৰং চোৱাৰ দৰে বাঘ-ককা-বৰা-ককাৰ যুঁজখন চাই থাকি আচল কথা পাহৰি থাকিব। আৰু—হুজুৰ—আমাৰ কথা যদি কয়—জানেই হুজুৰে—সুইত ফুৰিলে গাটি চিকণ হয়, আমাৰো—হুজুৰৰ যহতে ভাইগ্‌গৰ পৰিৱৰ্তন নহৈ নাথাকিব। বৰ নাৱৰ কাণ্ডাৰি, ৰজাঘৰৰ ভাণ্ডাৰি হুজুৰ—কোনেনো হ'বলৈ নিবিচাৰে? আমাৰ বিৰুদ্ধে সম্বহতে মাত মতাৰ দাঁত থকা ৰাইজেও নিশ্চয়

বিচাৰিব। কিয়নো—সাধাৰণ মানুহৰ চৰিত্ৰ বোলা বস্তুটি বৰ শকত নহয়।”

চুবাদাৰ শুচি সেনাপতি কপালকণ্ঠৰ কথাখিনি বীৰসিংহক আমোদ দিলে। বীৰসিংহই কপালকণ্ঠক ক'লে, “কথা সঁচে-কাটে সঁচা। লুটপাতৰ ভাগ ৰাইজে নাপালেহে আমাৰ অনিয়ায় দেখিব, ভাগ পালে চকু মুদা কুন্সি হোৱালৈ আপত্তি নদৰ্শাব। এতিয়া কোৱা, পোন-পিহলতে ধৰোঁ কাক?”

“এই কথাটিও আগতীয়াকৈয়েই ভাবি থৈছোঁ, হুজুৰ--” খুক্‌খুক্‌কৈ কাহ মাৰি কপালকণ্ঠই ধীৰে-শাঁতে ক'লে, “হুজুৰ, পোন-পহিলতে আৰুনো কাক ধৰিম? অমিত্তপুৰীকহে। অমিত্তপুৰীৰ—সম্ভহতে তেল বৰ বেছি হৈছে। মই অমৃতপুৰীয়া-ইতৰ কোনোবা আমাৰ ইয়ালৈ অহামাত্ৰেই ফাটকত ভৰাই থ'বলৈ আদেশ দিছোঁ আমাৰ চিপাহীবিলাকক। কিয়নো—আমাৰ ইয়ালৈ প্ৰতিদিনে আহি থকা অমিত্তপুৰীয়াইতৰ মাজত কিছুমান নিশ্চয় গুপ্তচৰ হিচাপে আছিব।”

এই কথাটোও বীৰসিংহই ভাল পালে। বীৰসিংহই ক'লে, “তুমি সঠিক আদেশ দিছা। ময়ো তাকে ভাবি আছিলোঁ। অমৃতপুৰীৰ ৰজা বোলাটোৱে কিছুদিনৰ-

পৰা পাটী লোৱা বুলি আমাৰ চোৰাং-চোৱাই কৈছে। এই বতৰতে আমাৰ বতৰ দাঙিব। একে অমৃতপুৰী আমাৰ কেঞ্চা আঙুলিৰে সমানো নহয়, তাতে তাৰ ৰজাটো পৰি আছে বেমাৰত। এই সুযোগেই সুযোগ। আমাৰ চিপাহী-বিলাকক সাজু কৰা। নৈ পাৰ হৈ অমৃতপুৰীলৈ যাব লাগিব, তাৰ বাবে নাও লাগিব ভালেমান।”

“লাগিলে—আজি ৰাতিৰ প্ৰহৰতেই—হুজুৰ! চব বিলকুল তৈয়্যাৰ হ্যায়।”

“চাব্‌—বাইছ!” ফুৰ্তিত কোঁপচুঙা বীৰসিংহই কৈ উঠিল, “তেনেহ'লে চুম্ভচ্য

চীঞম্। কালি ৰাতিয়েই বেৰ মৰা যাওক, কি কোৱা ? মই এই কথাত বৰ ভাল পাইছোঁ যে—তুমি সদায় টপ তৈয়াৰ। অমৃতপুৰী জয় কৰি উভতি অহাৰ পাছত মই—তোমাক বঢ়িয়াকৈ মানকচু—হেৰি মানে—তোমাৰ মান ধৰিম। ইয়াকে বোলে সেনাপতি।”

“হুজুৰ ! আপোনাৰ বুজ-বিবেচনাৰ জৰাব নাই। কালি ৰাতি যেতিয়া আমি অমৃতপুৰীক আগুৰি ধৰিম চাৰিওফালৰপৰা তেতিয়া সিহঁতৰ ক'লৈ যাওঁ গোপাল ক'লৈ যাওঁ কিৰ্‌প্যলহে লাগি যাব, চাব হুজুৰ। পৰহিৰ উপজি পুৰাতে অমৃতপুৰী আমাৰ হৈ যাব।” কপালকণ্ঠই ক'লে।

নতুন সেনপতি কপালকণ্ঠৰ কলিজাৰ জোৰ চাই বীৰসিংহৰ মনত বিহু বিহু লাগিল। বীৰসিংহই কপালকণ্ঠৰ পিঠিত আনন্দ প্ৰকাশ কৰিবলৈ যিহেঢৰা চাপৰটি মাৰিলে! সেই ঢৰা চাপৰেৰে তাৰ পিঠি বেঁকা হ'ল; আৰু পুনৰ কিবা ৰকমে আনন্দ প্ৰকাশ কৰাৰ আগতেই কপালকণ্ঠ তাৰপৰা সাউৎকৰে ওলাই গুচি গ'ল।

ৰাতিৰ পৰতে কপালকণ্ঠই চুবাদাৰহঁতক মতাই অনাই এঠাইত গোট খুৱালে। কপালকণ্ঠৰপৰা অমৃতপুৰী আক্ৰমণৰ তথা লুটপাত কৰাৰ কথা শুনি সিহঁতৰো নধৰ-নপৰ লাগিল। বীৰসিংহৰ চিপাহীহঁতৰ আগত যে অমৃতপুৰীয়া সৈন্যহঁত টিকিব নোৱাৰিব, সেই কথা একেবাৰে ধুকুপ বুলি কপালকণ্ঠই চুবাদাৰহঁতক ডাঠি ক'লে। তাৰ পাছত—কেনেকৈ অমৃতপুৰী আক্ৰমণ কৰা হ'ব—তাৰ পৰিকল্পনা কৰা হ'ল।

কপালকণ্ঠই ক'লে, “কেনেকৈ কি কৰা হ'ব — তাৰ আঁচনি এতিয়াই আমাক লাগে। কিন্তু এই আঁচনিৰ কথা যদি কেনেবাকৈ কাৰোৰ মুখেদি ওলাইছে— তেনেহ'লে তোমালোকৰ এটাও জীয়াই নাথাকা, আৰু। এই কথা মনত ৰাখিবা, আৰু সদায় সাৰধান হৈ থাকিবা।”

কিন্তু চুবাদাৰহঁতৰ মাজৰ ভগ্লু চৰ্দাৰ নামৰ এটা চুবাদাৰ তাৰপৰা পোনে পোনেই চৰাপখানালৈ গ'ল আৰু মাল খাই চৰাপখানাৰ মালিকৰ লগত ইকথা-সিকথাৰ বকলা মেলোঁতে এই কথাও অলপ চলপ উলিয়ালে ; কিন্তু তেতিয়ালৈকো গুপুতকথা কোৱা নাছিল। চৰাপখানাৰ মালিকে যেতিয়া ক'লে যে তাৰ চৰাপৰ দাম পাঁচ টকা ৰূপ হৈ গ'ল—তেতিয়া ভগ্লু চৰ্দাৰে ক'লে, "আৰে—পাঁচ টকা নালাগে—পঞ্চাছ টকাকে দিম। আৰে পঞ্চাছ টকা নহয়—উভতি আহি পঞ্চাছটা সোণৰ মোহৰকে দিম কালিলৈ'।"

শুনি চৰাপখানাৰ মালিক উচপ খাই উঠিল। চৰাপখানাৰ মালিকে সুধিলে, "ক'তনো পাবাহে সোণৰ মোহৰ? ক'ৰপৰা উভতি আহিবাহে‌নো ?"

ভগ্লু চুবাদাৰে গুন-গুনকৈ ক'লে, "চিয়ঁৰি নুসুধিবা, মনত ৰাখিবা—বেৰৰো কাণ থাকে বেৰৰ জলঙাৰ থাকে চকু। এতিয়া আৰু একো নুসুধিবা।"

কিন্তু চৰাপখানাৰ মালিকে পুনৰ সুধিলে, "কেতিয়া উভতিবা?"

"কালিলৈ ৰাতি পুৱাব আৰু ঠিক তা'পাছত যেতিয়াই-তেতিয়াই। আমি সিহঁতক ঢেঁটুত ধৰিমগৈ কি বোলেনে—ৰাতিৰ পৰতে।" চুবাদাৰে ক'লে।

চৰাপখানাৰ দুৱাৰমুখত এজন যুৱক বহি আছিল বহু সময় ধৰি। এই যুৱকে চুবাদাৰ আৰু চৰাপখানাৰ মালিকৰ কথা-বতৰা শুনি আছিল ; কিন্তু বিশেষ একো বুজি পোৱা নাছিল। এই যুৱক দেখাত আছিল এটা মগনিয়াৰৰ দৰে। কিন্তু তাৰ চকুৰ দৃষ্টিত আছিল বুদ্ধিমত্তাৰ চিন। এই যুৱকেই আছিল সেই বসন্ত।

বসন্ত সম্প্ৰতি অমৃতপুৰীত বসবাস কৰিছিল। কিন্তু ছদ্মবেশ ধাৰণ কৰি আৰু লগত সাহসী যুৱক কিছুমানক লৈ অমৃতপুৰীৰপৰা মাজে-মধ্যে শান্তিপুৰলৈ

আহিছিল শান্তিপুৰৰ হাল-চালৰ খা-খবৰ ল'বলৈ আৰু বিৰিংগুটি বীৰসিংহৰ এই অন্যায় ঋজত্বক খতম কৰিবলৈ। কিন্তু— কেনেকৈ যে খতম কৰিব—তাৰ উপায় নাজানিছিল। মুখাপিন্ধা বীৰৰ ওপৰত বসন্তৰ অগাধ আস্থা আছিল ; কিন্তু এওঁ যে কোন—তাকো সঠিককৈ নাজানিছিল।

কেতিয়াবা মুখাপিন্ধা বীৰে বসন্তক কৈছিল, “বীৰসিংহৰ অত্যাচাৰৰপৰা শান্তি-পুৰীয়া ৰাইজক ৰক্ষা কৰা আমাৰ পৱিত্ৰ কৰ্তব্য। কিন্তু তথাপি—আমি ৰক্তক্ষয়ী যুদ্ধৰ বাট পৰিহাৰ কৰাৰ চেষ্টা কৰা উচিত হ'ব। কিয়নো — দৰমহাখোৰা সাধাৰণ সৈন্যৰ ৰক্তক্ষয় অনুচিত।”

কিন্তু এতিয়া—মদপী চুবাদাৰ ভগ্‌লুৰ মুখৰপৰা ওলোৱা 'আক্ৰমণ'ৰ কথা শুনি বসন্ত চিন্তিত হৈ উঠিল।

বসন্তই লক্ষ্য কৰিলে যে—চুবাদাৰ ভগ্‌লুৰ ঘোঁৰাটো এজোপা গছৰ লগত বন্ধা অৱস্থাত আছে, আৰু ভগ্‌লু তেতিয়াও চেৰাপখানাৰ মালিকৰ সৈতে অজস্ৰ কথা পাতি আছে। বসন্তই ভগ্‌লু চুবাদাৰৰ ঘোঁৰাটোৰ গাত মৰমৰে হাত ফুৰালে আৰু তাৰ পাছত আন কোনেও গম নোপোৱাকৈ বান্ধোন খুলি পিঠিত উঠি কাঁড়ৰ গতিৰে ঘোঁৰা চলাই দিলে।

সুধাৰা নৈৰ পাৰ পাই, ঘোঁৰাটোৰে সৈতে নৈ পাৰ হৈ, বসন্ত পোনে পোনেই অমৃতপুৰীৰ মহামন্ত্ৰীৰ অট্টালিকাৰ দুৱৰীক ক'লেগৈ যে এতিয়াই মহামন্ত্ৰীক লগ ধৰিব লাগিব, অতি জৰুৰী খবৰ আছে।

বসন্তৰ কথাখিনি মহামন্ত্ৰীয়ে অট্টালিকাৰ ভিতৰৰপৰা শুনিছিল, গতিকে তেওঁ নিজেই বসন্তক অট্টালিকাৰ ভিতৰলৈ মতাই লৈ গ'ল।

বসন্তৰপৰা সকলো কথা শুনাৰ অন্তত মহামন্ত্ৰী অমৃতপুৰীৰ ৰজাৰ কাষ চাপিল আৰু বসন্তৰপৰা শুনা কথাখিনি ৰজাৰ আগত ভাঙি-পাতি কৈ থাকিল।

সকলো কথা শুনি অমৃতপুৰীৰ শান্তিপ্ৰিয় ৰজাই প্ৰমাদ গণিলে।

ইপিনে তিমানতে ষড়যন্ত্ৰী বীৰসিংহৰ চিপাহীহঁত সুধাৰা নৈৰ পাৰ পাইছিলহি। নৈৰ সিপাৰত অমৃতপুৰীৰ সৈন্যইতক সাজু হৈ থকা দেখা পাই বীৰসিংহই চিন্তিত ভাবেৰে কপালকণ্ঠলৈ চালে।

অমৃতপুৰীৰ মহামন্ত্ৰী স্বয়ং সৈন্য-পৰিবৃত হৈ সুধাৰা নৈৰ পাৰলৈ আহিছিল অযথা ৰক্তক্ষয় নকৰি বীৰসিংহৰ ওচৰত সন্ধিৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ।

আৰু ঠিক তেতিয়া অকস্মাৎ সুধাৰা নৈত প্ৰচণ্ড বান উঠিল। বোধহয় পৰ্বতত প্ৰচণ্ড বৰষুণ দি আছিল, সেইহে এনে প্ৰলয় বান। সুধাৰা নৈৰ পানী ক্ষণ-প্ৰতি-ক্ষণ বাঢ়ি থকিল, তীব্ৰ সোঁতৰ লগত আনকি ডাঙৰ গছবোৰো কুটাৰ দৰে উটি গৈ থাকিল। নাৱেৰে নৈ পাৰ হ'বলৈ ধৰা বীৰসিংহৰ চিপাহীবিলাকে মৃত্যুভয়ত ভীত হৈ আৰ্তনাদ কৰি থাকিল। কিছুমান চিপাহী নাৱৰপৰা নৈৰ পানীত পৰি ঢোকাঢোকে পানী খাবলৈ ধৰিলে। কিছুমান পানীত তল গ'ল। বীৰসিংহ আৰু কপালকণ্ঠ কথমপি ডুবি যোৱাৰপৰা ৰক্ষা পৰিল। কিন্তু—সুধাৰাই এনেহেন সংহাৰমূৰ্তি ধাৰণ কৰাৰ অলপ পাছত পুনৰ আগৰ দৰে শান্ত হৈ পৰিল। তিমানতে বীৰসিংহৰ চিপাহীহঁতৰ অধিক-ভাগকে সুধাৰাৰ তীব্ৰতম সোঁতে উটুৱাই লৈ গ'ল।

ঘটনাৰ কথা শুনি অমৃতপুৰীৰ ৰজাই তৃপ্তি তথা স্বস্তি অনুভৱ কৰিলে। তেওঁ ক'লে, "বিপদৰপৰা স্বয়ং ঈশ্বৰেই আমাক ৰক্ষা কৰিলে। তথাপি, আগলৈ যিকোনো আক্ৰমণৰ বাবে এতিয়াৰেপৰাই আমি সাজু হৈ থকা আৱশ্যক।"

মহামন্ত্ৰীয়ে ক'লে, "হয়, মহাৰাজ! তাৰ সুবন্দৱস্ত কৰা হ'ব।" [আগলৈ

পাৰ পালে পায়া

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত পেলাই লৈ নীৰৱে-নিমাতে ঘোপমৰা অন্ধকাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল।

তেতিয়া শ-ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্, তুমি যদি আন কাৰবাক ৰাজ্যৰ কুশল-মংগল চোৰা-চিঁতাৰ দায়িত্ব দি থৈ আহিছা—তেওঁ যে তোমাৰ হৈ সকলো ৰাজকাৰ্য্য কৰিবই তাৰ নিশ্চয়তা নাই। কিয়নো — প্ৰায় মানুহেই পাৰ পালেই পায়া পোৰা হয় আৰু ভুৰত লাথি মাৰে। মোৰ এই কটু মন্তব্যৰ উদাহৰণ স্বৰূপে বিশালপুৰ ৰাজ্যৰ শত্ৰুজিত ৰজাৰ কাহিনী শুনা।" এই বুলি কৈ, বেতালে কৈ থাকিল আৰু বিক্ৰমাদিত্যই শুনি থাকিলঃ

'বেতাল-কথা'

বহু কালৰ আগৰ কথা। বিশালপুৰ ৰাজ্যৰ ৰজা শত্ৰুজিত প্ৰকৃততেই আছিল প্ৰজামংগলকাৰী ৰজা। দোৰ্দণ্ডপ্ৰতাপেৰে ৰাজত্ব চলোৱাৰ ইচ্ছা তেওঁৰ নাছিল। সেয়েহে — তেওঁ তেওঁৰ বিশাল ৰাজ্য বিশালপুৰৰ শাসনকাৰ্য্যৰ সুবিধাৰ বাবে বাবে সমগ্ৰ ৰাজ্যক এশ ভাগেৰে ভগাই এশজন সামন্ত ৰজা পাতি তেওঁলোকক স্বাধীনভাবেশাসনচলোৱাৰঅধিকাৰদিলে।

মহাৰাজ শত্ৰুজিত অৱশ্যে নিষ্ক্ৰিয় হৈ নাথাকিল। তেওঁ তেওঁৰ ৰাজ-দুৱাৰ সকলোটিৰ বাবে সদাৰ উন্মুক্ত কৰি ৰাখিল। যিকোনো প্ৰজাই মহাৰাজ শত্ৰুজিতৰ সৈতে সহজেই সাক্ষাৎ কৰি অভাৱ-অভিযোগৰ কথা জনাব পাৰিছিল। কিন্তু কোনো দিনেই কোনো অভিযোগ নাপাই মহাৰাজ শত্ৰুজিতে সকলো সুকলমে চলি থকা বুলি ভাবিছিল।

এইদৰে বহু বছৰ পাৰ হ'ল। সকলো ৰাজকাৰ্য্য সামন্ত ৰজাইতৰ যোগেদি সঠিকভাৱে চলি আছিল। প্ৰজা সুখী, ৰজাও সুখী; কিন্তু এনেতে এদিন সজাগৰ নামৰ মানুহ এজন মহাৰাজৰ কাষ চাপিল আৰু ক'লে, "মহাৰাজ! আপুনি ৰাজ্যখনক এশ ভাগেৰে ভগাই সামন্ত ৰজা পাতি শাসনকাৰ্য্যৰ সুবিধা কৰি দিলে। আপুনি নিশ্চয় ভাবিছে যে— ৰাজ্যৰ শাসনকাৰ্য্য সঠিকভাৱেই চলি আছে। কিন্তু সেই কথা সমূলি সঁচা নহয়। আপোনাৰ প্ৰজাবৰ্গৰ বহু ধৰণৰ অভিযোগ আছে। সামন্ত ৰজ হঁত কিছুমান অতি অতাচাৰী আৰু ভ্ৰষ্টাচাৰী। তেওঁলোকৰপৰা ন্যায়বিচাৰ বিচাৰি কোনো প্ৰজা তেওঁলোকৰ আগত ওলাবই নোৱাৰে। এই ভ্ৰষ্টাচাৰ দিনে দিনে বাঢ়ি গৈ আছে। গতিকে—মই চুপচাপ হৈ বৈ থাকিব নোৱাৰিলোঁ।"

"তুমি কাৰ কথা কৈছা?" মহাৰাজ শত্ৰুজিতে সজাগৰক সুধিলে।

"মহাৰাজ, মই সামন্ত নৰসিংহৰ কথা কৈছোঁ। এওঁক জোখে-জোখাৰে ভেটি-ভাৰ দিলে যিকোনো মানুহে এওঁৰপৰা যেইকোনো অন্যায় সুবিধা আদায় কৰি ল'ব পাৰে।" মহাৰাজক সজাগৰে ক'লে।

"ঠিক আছে। পিছে—তোমাৰ কি অন্যায় কৰিছে নৰসিংহই—প্ৰথমে তাকে কোৱা।" মহাৰাজে ক'বলৈ আদেশ কৰিলে সজাগৰক।

"মহাৰাজ, ময়ো সামন্তৰজা নৰসিংহৰ কৰ্মচাৰী। অন্যায়কাৰীহঁতক ধৰাৰ কামত মোক মকৰল কৰা হৈছিল। ময়ো বহুতো অন্যায়কাৰী প্ৰতাৰকক ধৰা পেলাই তেওঁৰ হাতত গটাই দিছিলোঁ। কিন্তু তেওঁ ঘোচ খাই আটাইবিলাকক এৰি দিয়ে। তেওঁৰ এই কাৰ্য্যৰ প্ৰতিবাদ কৰাত মোক তেওঁ কামৰপৰা খেদিলে।"

মহাৰাজ শত্ৰুজিতে খন্তেকমান চিন্তা কৰি সজাগৰক ক'লে, "তোমাক তোমাৰ চাকৰিটো পুনৰ দিয়াওঁনে?"

"নহয়, মহাৰাজ। মই কিবা সৰু-সুৰা বেহা-বেপাৰ কৰিম, বা সৰু-সুৰা ল'ৰা-ছোৱালীক পঢ়ায়ো পেট প্ৰৱৰ্তাব পাৰিম। মোৰ আৰু চাকৰি কৰাৰ মনেই নোহোৱা হৈছে। মোৰ অনুৰোধ—এবাৰ আপুনি নিজেই ওলাই সামন্তৰজা নৰসিংহৰ কথা-

কাণ্ডবোৰ দেখি-শুনি আহক। ঘাইকৈ এই কাৰণেই মই আপোনাৰ কাষ চাপিছোঁ, মহাৰাজ।" সজাগৰে ক'লে।

সজাগৰক বিদায় দিয়াৰ অন্তত মহাৰাজে সজাগৰৰ কথা দলিয়াই নেপেলাই সত্যাসত্যৰ পৰীক্ষা ল'বলৈ মন মেলিলে।

পাছদিনা মহাৰাজ শত্ৰুজিত সামন্ত নৰসিংহৰ ওচৰলৈ গ'ল আৰু নৰসিংহয়ো মহাৰাজ শত্ৰুজিতক মহাসমাৰোহৰে আদৰ-আপ্যায়ন কৰিলে।

মহাৰাজ শত্ৰুজিতে নৰসিংহক ক'লে, "শুনা, নৰসিংহ, মই আদৰ-অভ্যৰ্থনা



বিচাৰি ইয়ালৈ অহা নাই। মই—কিছুদিন ইয়াতে থাকিম আৰু প্ৰজাবৰ্গ তোমাৰ শাসনাধীনত কেনে আছে, তাৰ কিছু কিছু খবৰ-বাতৰি ল'ম, তেওঁলোকৰ অভাৱ-অভিযোগৰ কথা শুনিম—এই ৰাজাজ্ঞা আজিয়েই প্ৰচাৰ কৰি দিয়া।"

এই ৰাজকীয় ঘোষণা শুনি কিছুমান প্ৰজাই মহাৰাজ শত্ৰুজিতৰ কাষ চাপিলে।

প্ৰথমে হালোৱা এজনে ক'লে, "মহাৰাজ, মোৰ খেতি-মাটি হ'ল দহ হালিচা। আমাৰপৰা প্ৰাপ্য কৰ-কাটলৰ উপৰিও নৰসিংহদেৱে মোৰপৰা বিছ বস্তা ধান লৈ গ'ল। এইদৰে যোৱা দহ বছৰ ধৰি তেওঁ কৰৰ উপৰিও বিছ বস্তাকৈ ধান লৈ আছে। আপুনি দয়া কৰি মোৰ দুশ বস্তা ধান তেওঁক ওভোতাই দিবলৈ আদেশ দিয়ক।"

আন এজন মানুহে ক'লে, "মহাৰাজ, মোৰ ছোৱালীজনীৰ কাৰণে দৰা বিচাৰি উলিয়ালোঁ, বিয়াত হেজাৰ টকা যৌতুক দিয়াৰ বন্দবস্ত হোৱাত নৰসিংহদেৱে মোক যৌতুক দিয়াটো অপৰাধ বুলি কৈ নিজে পাঁচশ টকা আদায় কৰিলে। যৌতুক বিনে ছোৱালীক বিয়া দিব পাৰিনে? তাৰ মানে—যৌতুক এহেজাৰৰ লগত নৰসিংহদেৱকো বাধ্যত পৰি পাঁচশ দিবলগাত পৰিলোঁ।"

অন্য মানুহ এজনে মহাৰাজ শত্ৰুজিতক ক'লে, "মহাৰাজ, মই মোৰ ল'ৰাটোৰ বিয়া যৌতুকৰ ধন নোলোৱাকৈয়েই পাতিম বুলি ভাবিছিলোঁ। কিন্তু নৰসিংহই মোক যৌতুকৰ ধনৰ আধাখিনি তেওঁক দিবলৈ টানি কোৱাত মই ধোঁৱা-কোঁৱা দেখি আছোঁ।"

বেপাৰীসকলৰপৰাও মহাৰাজ শত্ৰুজিতে নৰসিংহৰ বিৰুদ্ধে বিভিন্ন অভিযোগ পালে। সমাজৰ অন্যান্য শ্ৰেণীৰ লোকৰপৰাও প্ৰচুৰ অভিযোগ শুনিলে। সকলোতে নৰসিংহ সামন্তৰ অত্যাচাৰ আৰু ভ্ৰষ্টাচাৰৰ

কাহিনী মহাৰাজে স্বকৰ্ণে শুনিলে।

এইবোৰ শুনি, প্ৰমাদ গণি, মহাৰাজে সামন্ত নৰসিংহৰ কৰ্মচাৰী কিছুমানক মতাই অনাই সুধিলে, "তোমালোকক যদিও নৰসিংহই চাকৰিত মকৰল কৰিলে, কিন্তু তোমালোকক কিন্তু নৰসিংহই দৰমহা নিদিয়ে,, দিয়ে প্ৰজাবৰ্গ ইহে! সেই প্ৰজাবৰ্গৰ প্ৰতি তোমামালোকে যথেষ্ট অন্যায় কৰি আছা। ইয়াত যিবোৰ জোৰ-জুলুম অন্যায়-অত্যাচাৰ চলি আছে. মোক সেই সম্পৰ্কে তোমালোকে অবহিত নকৰাটো তোমালোকৰ অন্যায় হৈছে।"

কৰ্মচাৰীইঁতৰ মাজত এজনে মহাৰাজক ক'লে, "মহাৰাজ, আপুনি নৰসিংহক সামন্ত ৰজা পাতিছিল। সামন্ত ৰজাও ৰজায়েই, গতিকে—তেওঁৰ কোনো কামতে হকা-বধা—আমাৰ পক্ষে সম্ভৱ নহয়। সামন্ত নৰসিংহৰ অপকৰ্মৰ মৃদু প্ৰতিবাদ কৰাত সজাগৰ নামৰ সং কৰ্মচাৰী এজনক চাকৰিৰপৰা বৰ্খাস্ত কৰা হ'ল, আনকি নৰসিংহৰ ৰাজত্বৰ বাহিৰ হ'বলগা হ'ল। আমাৰ সেইকণ সাহসো নাই, গতিকে কৰিবলগাও একো নাই।"

তাৰ পাছত মহাৰাজ শত্ৰুজিতে নৰসিংহক এইবোৰ অভিযোগৰ কথা কোৱাৰ অন্তত সুধিলে, "এতিয়া কোৱাঁ, তোমাৰ কি ক'বলগা আছে।"

বিস্থলত—সমাজৰ সৰ্বশ্ৰেণীৰ মানুহেই মোৰ বিৰুদ্ধে অভিযোগ দাঙি ধৰিছে। মই আসৈ মাতোঁনো কি প্ৰকাৰে? যেই নহওক—মোক এটা বছৰৰ সময় দিয়ক, মই নিজক শুধৰাই ল'ম।" নৰসিংহই নিৰ্লিপ্তভাবে মহাৰাজক ক'লে।

মহাৰাজে অলপ ইতস্তত কৰি তাৰ পাছত নৰসিংহৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে।

কিন্তু এবছৰৰ অন্ততো নৰসিংহৰ অত্যাচাৰ-ভ্ৰষ্টাচাৰৰ অন্ত পৰা বাদেই, মাত্ৰা বাঢ়িহে গ'ল। প্ৰজাবৰ্গ জতাস্ত উত্তেজিত হৈ উঠিল। ৰাইজ মহাৰাজ

শক্ৰজিতৰ কাষ চাপিল আৰু নৰসিংহৰ পৰিবৰ্তে অন্য কোনোবা সৎ প্ৰশাসকলৈ দাবী উত্থাপন কৰিলে। তেওঁলোকে আৰু ক'লে যে—মহাৰাজে সামন্ত নৰসিংহক যথাযোগ্য দণ্ড বিধান কৰিলেহে তেওঁলোকে প্ৰকৃতপক্ষে ভাল পাব।

কিন্তু মহাৰাজ শক্ৰজিতে নৰসিংহক কোনো প্ৰকাৰ কঠোৰ দণ্ড বিধান নকৰি, কেৱল পদচ্যুত কৰি, তাৰ ঠাইত সজাগৰক সামন্ত পাতিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, মহাৰাজ শক্ৰজিতৰ কাৰ্য্যাৱলী—অৰ্থাৎ নৰসিংহৰ প্ৰতি তেওঁৰ আচৰণ অসংগত নাছিলনে? নৰসিংহৰ বিৰুদ্ধে ইমান অভিযোগ পায়ো তেওঁ নৰসিংহক পুনৰ এবছৰৰ বাবে ৰাজত্ব চলাবলৈ অনুমতি দিছিল কিয়? তেওঁ নৰসিংহক কমেও তিৰস্কাৰ কৰাৰ সলনি পুৰস্কাৰ দিছিল কিয়? মোৰ প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নোকোৱা যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজাবিক্ৰম দিতাই ক'লে, "মহাৰাজ শক্ৰজিতৰ কাৰ্যাত অসংগতি নাছিল। সজাগৰে যিহঁতৰ হৈ মহাৰাজৰ কাষ চাপিছিল, সিহঁত, সেই অত্যাচাৰিত ৰাইজো যে একপ্ৰকাৰৰ সৰুসুৰা সামাজিক অত্যাচাৰীয়েই আছিল, মহাৰাজে সেই কথা অনুসন্ধানক্ৰমে জানিব পাৰিছিল আৰু সেইহে তেওঁ নৰসিংহক এবছৰৰ সময় দিছিল। দুখীয়া মানেই সৎ—এই কথা ভবাৰ হেতু নাই দুখীয়াও ধনী হ'লে কৰিম বুলিলে ভালেকৈয়েই অত্যাচাৰ কৰিব পাৰে। প্ৰজাৰ পৰিবৰ্তন নহয় যদি — সজাগৰ নৰসিংহতকৈয়ো অধিক অত্যাচাৰী হ'বলৈ বাধ্য হ'ব।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



তথাস্তু

এজনী আছিল বুঢ়ী, আৰু বুঢ়ীৰ আছিল এজনী নাতিনীয়েক। ঘৰত আন কোনো নাছিল। বুঢ়ীয়ে নাতিনীয়েক ঘৰৰপৰা, কওলাবলৈকো নিদিয়ে আন কোনোবা-জনীৰ লগত খেল-ধেমালি কৰিবলৈকো নিদিয়ে। এই কথাত নাতিনীয়েকৰ খং উঠিছিল, কিন্তু মুখ-কাটন বুঢ়ীৰ ভয়তে মনৰ খং মনতে সামৰিবলগা হৈছিল।

নাতিনীয়েকৰ মানত ঘৰটোৱেই ফাটক যেন লাগিছিল। তাই খিৰিকীয়েদি সদায় খেলি থকা সমনীয়াহঁতক দেখা পাই হুমুনিয়াহ কাঢ়িছিল আৰু মনে মনে বুঢ়ী আইতাক শাওপাত দিছিল। বুঢ়ী যেতিয়া কিবাকিবি কামত ঘৰৰপৰা ওলাইছিল, তেতিয়া নাতনীয়েক নিমাতীয়ে খঙতে কৈ উঠিছিল: 'উস্! এই বুঢ়ীক যমে নিয়ক।"

ঘৰত আছিল এজনী মইনাচৰাই। নাতিনীয়েক নিমাতীৰ মাত শুনি শুনি মইনাজনীয়ে কথটো বঢ়িয়াকৈ শিকিলে।

এদিন বুঢ়ী বাহিৰৰপৰা ভাগৰি-জুগৰি ঘৰলৈ আহিল আৰু ঘৰত ভৰি দিয়ামাত্ৰকে মইনাজনীয়ে কৈ উঠিল, "উস্! এই বুঢ়ীক যমে নিয়ক!"

বুঢ়ীয়ে মইনাজনীলৈ কেঁৰাকৈ চালে আৰু ভাবিলে: এইক এনেবোৰ কথা কোনেনো শিকালে? চুবুৰীয়াহঁতৰ ওপৰত চোভা হ'ল; কিন্তু নাতনীয়েকৰ কথা মনতো ননা হ'ল।

এদিন বুঢ়ীৰ ঘৰত আন এজনী বুঢ়ী আহিল। দুয়োজনী বুঢ়ীয়ে নানান সুখ-দুখৰ কথা পাতিবলৈ ধৰিলে। মইনাজনীয়ে কৈ উঠিল, "উস্? এই বুঢ়ীক যমে নিয়ক!"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

শুনি চুবুৰীয়া বুঢ়ীয়ে বৰকৈ অপমান পালে, চুবুৰীয়া বুঢ়ীয়ে একো নোকোৱাকৈ উচাট মাৰি এই বুঢ়ীৰ ঘৰৰপৰা ওলাই গুচি গ'ল।

নিমাতীৰ আইতাক পৰিল মহা চিন্তাত। মইনাজনীৰ মুখৰপৰা এনে তেইচ মৰা অবাইচ মাত কেনেকৈনো গুচাব পৰা যাব?

ভাবি ভাবি বুঢ়ী পণ্ডিত ৰামশাস্ত্ৰীৰ ওচৰলৈ গ'ল। ৰামশাস্ত্ৰী বৰ ডাঙৰ পণ্ডিত। কিবা এটা উপায় নিশ্চয় দিব পাৰিব।

বুঢ়ীৰপৰা সকলো কথা শুনাৰ অন্তত পণ্ডিত ৰামশাস্ত্ৰীয়ে হাঁহি মাৰি ক'লে, "এয়া কোনো টান কাম নহয়। আমাৰ মইনাজনীক তোমাৰ মইনাজনীৰ লগত একেটা সজাত ভৰাই থলেই কেদিনমানৰ ভিতৰত তোমাৰ মইনাজনীয়ে ভাল ভাল বচন শিকিব। কিয়নো — আমাৰ এই মইনাজনী হ'ল ভাল কথাৰ ভঁৰাল। তুমি আমাৰ মইনাজনীক লৈ যোৱা।"

পণ্ডিত ৰামশাস্ত্ৰীৰ কথাত আশ্বস্ত, হৈ তথা পণ্ডিতৰ কথাত সম্পূৰ্ণ বিশ্বাস কৰি বিপদত পৰা বুঢ়ীয়ে পণ্ডিতৰ মইনাজনীক ঘৰলৈ লৈ আহিল। তাৰ পাছত পণ্ডিত মইনাক নিজৰ মইনা থকা সজাত ভৰাই থ'লে। এতিয়া যে তাইৰ মইনাজনীয়ে —ভালৰো ভাল মাত-বোল শিকিব— সেই কথা ভাবি বুঢ়ী একদম পুৰাপুৰি নিঃচিন্ত হ'ল।

নতুন মইনাজনীক দেখি বুঢ়ীৰ মইনাজনীয়ে কৈ উঠিল, "উস্! এই বুঢ়ীক যমে নিয়ক।"

পণ্ডিতৰ মইনাভনীয়ে টপৰাই কৈ উঠিল, "তথাস্তু!"

শুনি বুঢ়ী খঙতে ৰঙা পৰিল আৰু সজাৰ দুৱাৰ খুলি পণ্ডিতৰ মইনাজনীক তৎক্ষণাৎ ডিঙিত ধৰি উলিয়াই আনি থেকেচা মাৰি ক'লে, "যা যা — আন ক'বাত মৰগৈ যা খেকাৰখাতী মৰতী!"



চান্দমামা-ক্রোড়পত্র-১৮

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

প্ৰাচীন মথুৰা নগৰৰ লোকপ্ৰিয় ৰাজনৰ্তকীয়ে তেওঁৰ গৃহ-প্ৰাংগণত থিয় হৈ বাটৰ এঢ়াতিত এজন সুদৰ্শন বৌদ্ধ ভিক্ষু-ক দেখা পাই মোহিত হ'ল। সেই নিশা সেই ভিক্ষুজন ৰাজনৰ্তকীৰ গৃহৰ অদূৰতে এজোপা বৃক্ষৰ তলত ৰাত্ৰিযাপন কৰি থাকিল। ৰাজনৰ্তকীয়ে নিজৰ পৰিচাৰিকা এজনীক পঠিয়ালে ভিক্ষু যুৱাক মাতি আনিবলৈ। পৰিচাৰিকাৰ বক্তব্যৰ উত্তৰত ভিক্ষু যুৱকে পৰিচাৰিকাক ক'লে, "নিশ্চয় যাম, কিন্তু এতিয়াই নহয়, এতিয়াও সময় হোৱা নাই।"

এই ঘটনাৰ অন্তত বহু বৰ্ষ অতিক্ৰান্ত হ'ল। সেই লোকপ্ৰিয় ৰাজনৰ্তকীক এদিন চৌৰ্য্যবৃত্তিৰ অভিযোগত হাত এখন ছেদন কৰি সেই নগৰৰপৰা বহিষ্কাৰ কৰা হ'ল। দুখ-যন্ত্ৰণাত যেতিয়া ৰাজনৰ্তকী পাগলিনীপ্ৰায়, তেতিয়া সেই ভিক্ষুজন ৰাজনৰ্তকীৰ ওচৰলৈ গ'ল। তিমানতে ৰাজনৰ্তকীৰ জীৱনৰ ক্ষণ শেষ হৈ আহিছে।

যুৱা ভিক্ষুৱে ৰাজনৰ্তকীক কোলাৰ ওপৰত দাঙি ল'লে আৰু ক'লে, "এয়ে হ'ল তোমাৰ আহ্বানত তোমাৰ ওচৰলৈ অহাৰ প্ৰকৃষ্ট সময়।" যুৱা ভিক্ষুৱে অমৃত-বচনেৰে মৃত্যুপথযাত্ৰী ৰাজনৰ্তকীক যথোচিত সান্ত্বনা প্ৰদান কৰিলে আৰু নৰ্তকীৰ মনত শান্তিৰ নিজৰা বোৱালে। ৰাজনৰ্তকীয়ে পৰম প্ৰশান্তিৰে দেহত্যাগ কৰিলে।

এই ৰাজনৰ্তকী কোন আছিল? যুৱা ভিক্ষুজন কোন? [উত্তৰ ৩৬ পৃষ্ঠাত]

আমি জানোনে?

১. খৃষ্টপূৰ্ব চতুৰ্থ শতিকাত এগৰাকী বিদেশী পৰিব্ৰাজকে ভাৰত ভ্ৰমণৰ অন্তত ভাৰত সম্পৰ্কে তেওঁৰ উপলব্ধিৰ কথা এখন গ্ৰন্থত লিখিছিল। তেওঁ কোন?

২. শ্ৰীলংকালৈ যেতিয়া সম্ৰাট অশোকৰ দূত গৈছিল, তেতিয়া শ্ৰীলংকাৰ শাসক কোন আছিল?

৩. এই দূত কোন আছিল? তেওঁ কোন চনত তালৈ গৈছিল?

৪. এই দূতৰ পাছত সম্ৰাট অশোকৰ ফালৰপৰা অন্য দূত তালৈ গৈছিল। তেওঁ কোন আছিল?

৫. দ্বিতীয় দূতে তালৈ যি অমূল্য উপহাৰ লৈ গৈছিল, সেই উপহাৰ কি আছিল? [উঃ ৩৬ পৃঃ]



ভাৰত তেতিয়া-এতিয়া

নালন্দা বিশ্ববিদ্যালয়

তক্ষশিলা আৰু নালন্দা বিশ্ববিদ্যালয়ে সুপ্ৰাচীন যুগৰ স্মৃতি কঢ়িয়াই আনে। আজিৰ বিহাৰ ৰাজ্যৰ পাটনা চহৰৰপৰা ৯০ কিল'মিটাৰ দূৰৈত বড়গাঁও নামৰ ঠাইত সুপ্ৰাচীন নালন্দা বিশ্ববিদ্যালয়ৰ ধ্বংসাৱশেষ পৰিলক্ষিত হয়।

ইয়াতে সিদ্ধাৰ্থই তেওঁৰ অহিংসা ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল, সম্ৰাট অশোকে ইয়াত বৌদ্ধস্তূপ নিৰ্মাণ কৰিছিল। ইয়াত মহাবীৰ কিছুকাল অতিবাহিত কৰিছিল। দহ হেজাৰ ছাত্ৰসমন্বিত নালন্দা বিশ্ববিদ্যালয়ৰ ইয়াত কোনে স্থাপন তথা নিৰ্মাণ কৰিছিল, আজিও সেই কথা অজ্ঞাত।

সুপ্ৰসিদ্ধ চৈনিক পৰিব্ৰাজক হুয়েন ছাঙে খৃষ্টপূৰ্ব সপ্তম শতিকাত নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰবৰ্গৰ শৃংখলাপ্ৰিয়তাৰ কথা লিপিবদ্ধ কৰি থৈছিল। তেওঁ মন্তব্য কৰিছিল যে নালন্দা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ জ্ঞানলিপ্সা আছিল অভাৱিত। হুয়েনছাঙে আৰু লিখিছিল

যে—খৃষ্টপূৰ্ব পঞ্চম শতিকাত গুপ্ত বংশৰ সম্রাট নৰসিংহগুপ্ত বালাদিত্যদেৱে নালন্দাত এক অতি মনোহৰ মন্দিৰ নিৰ্মাণ কৰিছিল আৰু মন্দিৰত ভগৱান বুদ্ধৰ ৮০ ফুট উচ্চ মূৰ্তি স্থাপিছিল। হুয়েনছাঙে যেতিয়া নালন্দা পৰিদৰ্শন কৰিছিল, তেতিয়া নালন্দা বিশ্ববিদ্যালয়ৰ আচাৰ্য্য আছিল শীলভদ্ৰ নামৰ এগৰাকী বংগদেশীয় পণ্ডিত।

তিব্বত, চীনদেশ, ইন্দোনেচিয়া আৰু বিশেষকৈ যৱদ্বীপৰ (জাভা) পৰা নালন্দা বিশ্ববিদ্যালয়লৈ বিদ্যাৰ্থীৰ আগমন হৈছিল।

এই বিদ্যালয়ৰ ৯ কোঠলীয়াকৈ তিনিটা পুথি-ভঁৰাল আছিল। তেতিয়াৰ কালত নালন্দা বিশ্ববিদ্যালয়তে অধিক সংখ্যক পুস্তক জ্ঞানাৰ্জনৰ বাবে পোৱা গৈছিল।

এনেহেন মহান বিশ্ববিদ্যালয় যে কেনেকৈ ধ্বংস হ'ল—স্পষ্টকৈ জনা নাযায়। জুই লাগি পুৰি যোৱাৰ কিছু প্ৰমাণ পোৱা হৈছে; কিন্তু সেই জুই কেনেকৈ লাগিছিল তাৰ সঠিক তথ্য অজ্ঞাত। পিছে—কোনোবা শিক্ষাৰ মোল নুবুজা বৈদেশিক আক্ৰমণকাৰীয়ে হয়তো এনে অজ্ঞানতাৰ কাৰ্য্য কৰিছিল—এই অনুমান কোনো কোনোবাই কৰে। নালন্দা সুদূৰ অতীতৰ সুগন্ধ কঢ়িয়াই ৰাজগীৰ পাহাৰৰ বুকুত লৈ আজিও বিদ্যমান।



ছাইকেল-কাহিনী!

যদি যাব কম দূৰত, ছাইকেলকে বাহন কৰক। আজিৰ মোটৰগাড়ীৰ যুগতে ছাইকেলৰ জৱাব নাই। সম্প্ৰতি এক সমীক্ষাত জনা গৈছে যে ছাইকেল সংখ্যাত ৮০ কোটি। মোটৰগাড়ীয়ে এই সংখ্যাত ঢুকি পোৱা হয় কদাপি নাপায়, কিয়নো তিমানতে ছাইকেলৰ সংখ্যা আৰু বাঢ়িবহে। ছাইকেলত উঠা অভ্যাস কৰিলে আৰামতে শাৰীৰিক ব্যায়ামৰো কাম হয়। ছাইকেল মোটৰগাড়ীৰ দৰে ট্ৰাফিক জ্যামতো নপৰে। গতিকে—দূৰৰ বাট মোটৰত, ওচৰৰ ছাইকেলত।

চান্দমামাৰ সম্বাদ

বেজালিৰ বেলবৰন!

গছ-লতা-পাত-শিপা আদি আৰু অন্যান্য নানান জান-অজান বস্তুৰে আজিও গাঁৱে-ভুঁৱে বেমাৰ-আজাৰৰ বেজালি কৰা হয়। এনেবোৰ অজ্ঞ বেজালিৰেও কেতিয়াবা বিজ্ঞ চিকিৎসাৰ কাম হোৱা দেখি পৃথিৱীৰ বিজ্ঞানী কিছুমানে এইবোৰ বেজালিলৈ ঘূৰি চোৱা হৈছে। দিনক দিনে আধুনিক চিকিৎসা সাধাৰণ মানুহৰ সাধ্যৰ বাহিৰ হোৱাত—ইমান দিন এনেবোৰ গাঁৱলীয়া বেজালিলৈ ঘূৰি নোচোৱাসকলে পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হৈছে।

সাহিত্যৰ কিছু কথা

১. কোন পুৰাণত ভাৰতৰ প্ৰাচীনতম ৰাজবংশৰ কথা লিপিবদ্ধ আছে ?

২. 'চাৰে জহাঁ ছে অচ্ছা' গীতটোৰ ৰচক কোন ?

৩. ভাৰতৰ এগৰাকী ৰাজনীতিবিদে ৰামায়ণ আৰু মহাভাৰত অতি সহজ তথা প্ৰাঞ্জল ভাষাৰে সংক্ষিপ্ত ৰূপত লিখিছিল। তেওঁ কোন আছিল ?

৪. গণিত আৰু বীজগণিতেৰে লিখিত প্ৰাচীন গ্ৰন্থখনৰ নাম কি ? সেই গ্ৰন্থৰ ৰচক কোন আছিল ?

৫. ইংৰাজি ভাষাত কিমান শব্দ আছে ?

উত্তৰ

কোন ?

বাসৱদত্তা : উপগুপ্ত ।

জানোনে

১. গ্ৰিছদেশৰ মেগাস্থিনিছ ।

২. দেৱানাং প্ৰিয় তিস্‌সা নামৰ ৰজা ।

৩. সম্ৰাট অশোকৰ পুত্ৰ মহেন্দ্ৰ; খৃষ্টপূৰ্ব ২৫১ চনত ।

৪. সম্ৰাট অশোকৰ কন্যা সংঘমিত্ৰা ।

৫. বোধিবৃক্ষৰ গুলি ।

সাহিত্য

১. মৎস্যপুৰাণ ।

২. মোহম্মদ ইকবাল ।

৩. চি. ৰাজগোপালাচাৰী ।

৪. লীলাৱতী গণিত ।

৫. প্ৰায ৩,০০, ০০০ লাখ শব্দ ।



তেবাটা

[যোৱা সংখ্যাৰ পিছৰপৰা]

দিন পাৰ হ'ল, ৰাতি পুৱাল, আৰু পাছদিনা দুপৰীয়াৰ পৰতে কৌমুদী ৰাজ্যৰ পূব দিশত থকা বিশাল তথা প্ৰাচীন কালৰ অৰণ্য পাই কৃষ্ণবৰ্মা ৰ'ল। কিছু দূৰত এজোপা বিৰাট চন্দন গছ আৰু সেই চন্দনজোপাৰ গুৰিত এক শিলামূৰ্তি কৃষ্ণবৰ্মাই দেখা পালে। এই শিলামূৰ্তিৰ গাত দুডাল সাপ মেৰিয়াই আছিল।

কৃষ্ণবৰ্মাই সাৱধানী দৃষ্টিৰে চাৰিওফালে চাবলৈ ধৰিলে। তাৰ পাছত—ঘোঁৰাটোক এজোপা গছৰ লগত বান্ধি থৈ, তৰোৱাল দাঙি সেই শিলামূৰ্তিৰ পিনে খোজ ল'লে।

আৰু অকস্মাৎ কোনোবাই ক'ৰবাৰপৰা মধুৰ কণ্ঠেৰে কৈ উঠিল, "ৰ'ব!"

চমকি উঠি কৃষ্ণবৰ্মাই ঘূৰি চালে পিছফাললৈ। জোপোহা এটাৰ আৰৰপৰা এজন যুৱক ওলাই আহিল। যুৱকে কৃষ্ণবৰ্মাক নমস্কাৰ কৰি এখোজ-দুখোজকৈ আগুৱাই আহিল।

"তুমি কোন?" আশ্চৰ্য্যান্বিত কৃষ্ণবৰ্মাই যুৱকক সুধিলে।

"যাক বিচাৰি আপুনি ইয়ালৈ আহিছে, মই সেই।" যুৱকে পুনৰ মূৰ দোঁৱাই কৃষ্ণবৰ্মাক ক'লে।

এই উত্তৰ, আৰু মিহি কণ্ঠস্বৰৰ কোমলতাৰপৰা কৃষ্ণবৰ্মাই বুজি পালে যে এই যুৱক প্ৰকৃত পক্ষে কোন্। তথাপি সন্দিহান হৈ সুধিলে, "ৰাজকুঁৱৰী?"

"ওঁ, হয়, মই ৰাজকুঁৱৰী জ্যোৎস্না। আপুনি সেই পাত্ৰৰ গাত অংকিত চিত্ৰ চাই চাই সঠিক ঠাই পালেহি। আৰু



লগে লগে আপুনি তৃতীয় পৰীক্ষাতো উত্তীৰ্ণ হৈ তেবাটো অতিক্রম কৰিব পৰা হ'ল। এতিয়া যাওঁ ব'লক।"

তেতিয়া কৃষ্ণবৰ্মাই ক'লে, "ৰাজকুঁৱৰী জ্যোৎস্না, এই পাত্ৰৰ গাত অংকা চিত্ৰ আৰু এই ঠাইডোখৰ চাই মোৰ ধাৰণা হৈছে যে — ইয়াত কোনোবা ৰাজত্বৰ ধ্বংসাৱশেষ আছে। আপোনাৰ মত কি?"

ৰাজকুঁৱৰী যেনিবা অলপ বিমোৰত পৰিল। এই কথাৰ কি উত্তৰ দিয়ে?

কৃষ্ণবৰ্মায়েই পুনৰ ক'লে, "ৰাজকুঁৱৰী, আপোনাৰ চিন্তাৰ কাৰণ মই অনুধাৱন কৰিব পাৰিছোঁ। আপুনি যিটো কামৰ কথা ভাবিছে, সেই কামত অৰণ্যেই বিপদ-বিঘিনি আছে। কিন্তু ৰাজ্য এখনৰ ৰজা এগৰাকীক সাহসী কৰি তোলাৰ পৰিৱৰ্তে কাপুৰুষ কৰি তোলাটো উচিত কাৰ্য্য হ'বনে? কথাটো ভাবি চাওক।"

ৰাজকুঁৱৰী জ্যোৎস্নাই গমিলে যে কৃষ্ণবৰ্মা শুদাই এৰি দিয়া পাত্ৰ নহয়, লাগিলে—শিলৰ মৈ টানিবলৈকো সাজু। তেতিয়া জ্যোৎস্নাই ক'লে, "আপুনি ইয়াত বহক, মই কিছু কথা আপোনাক ক'ম।"

জ্যোৎস্নাই এজোপা গছৰ তলত বহিলে আৰু বহি তেওঁ তেওঁৰ কঁকালৰ খোঁচোনৰপৰা তালপাত কেইখিলামান উলিয়াই লৈ পুনৰ ক'লে, "মই আপোনাক এতিয়া যি কথা ক'ম — আপুনি যে আন কাকো নক'ব, মই নিশ্চিত। এই যে তালপাত, এই তালপাতত লিখা আছে আমাৰ বহু পুৰুষৰ আগৰ ৰহস্যজনক কথা।

"বহু বহু কালৰ আগৰ কথা। কমেও এশ বছৰৰ আগৰ কথা। তেতিয়া আমাৰ বংশৰ ৰজা আছিল হৈহয়বৰ্মাদেউ। তেওঁ আছিল বীৰ, ৰাজনীতি-কুশল আৰু লগতে মন্ত্ৰবিদ্যাত পাৰংগম। তেওঁ দক্ষিণদেশৰ বিৰাট ৰাজ্য এখন জয় কৰি অপৰিমিত ধন-সোণ মণি-মুকুতাৰ গৰাকী হৈছিল। দুৰ্ভাগ্যক্ৰমে তেওঁৰ পুত্ৰ অজেয়বৰ্মা আছিল

একেবাৰে যাক বোলে যধা-মূৰখ-ৰজা। এই কথাত হৈহয়বৰ্মাদেৱ চিন্তিত হৈ পৰিল যে—ইমান কষ্ট কৰি যি বিপুল ধন-সম্পদ গোটালে, ৰাজ্যৰ সীমা দহোগুণে বঢ়ালে, পুত্ৰই সেই ৰাজ্য বা ধন-সম্পদ ৰক্ষা কৰিব নোৱাৰিব। সেইহে—তেওঁ সমস্ত ধন-সম্পদ তথা মন্ত্ৰঃপূত জাদু-তৰোৱাল এঠাইত লুকুৱাই থৈ দিলে আৰু তেওঁৰ জাদু-গুৰুৰ সহায়ত সেই গুপ্ত ঠাইত চিৰ-কালৰ বাবে জাদু-পহৰাৰ বন্দৱস্ত কৰিলে।

"কিন্তু — এই ধন-সম্পদ কেনেকৈ উদ্ধাৰ কৰা হ'ব — সেই সম্পৰ্কে তেওঁ কাকো একো নক'লে ; কেৱল এই তাল-পাতত লিখি থৈ গ'ল -- ৰহস্যময়ভাবে। সাপ মেৰিয়াই থকা শিলামূৰ্তি য'ত আছে, তাতেই সেই গুপ্ত ঠাইৰ সা-সন্ধেদ পোৱা যাব। তালপাতত হৈহয়বৰ্মাই লিখি থৈ গ'ল : এই অপাৰ সম্পদ তথা জাদু-তৰোৱাল উদ্ধাৰ কৰিবলৈ হ'লে— যি জাদু-পহৰাৰ বন্দৱস্ত কৰা হৈছে, সেই পহৰা ভেদ কৰি সেই গুপ্ত ঠাইলৈ যোৱাৰ বাবে কোনো মন্ত্ৰ-তন্ত্ৰৰ জ্ঞানৰ আৱশ্যকতা নাই। তাৰ বাবে গভীৰ চিন্তা আৰু কুশাগ্ৰ বুদ্ধিৰহে মাথোন আৱশ্যক। সাহসী, বুদ্ধিমান আৰু ধৰ্মাৱলম্বী ব্যক্তিৰ পক্ষে সেই গুপ্ত ঠাই আৱিষ্কাৰ—সহজেই হ'ব। এই তালপাত কেৱল আমাৰ একমাত্ৰ ৰাজ-সিংহাসনৰ উত্তৰাধিকাৰীয়েহে পঢ়িব পাৰিব।" ইমানলৈকে পঢ়াৰ অন্তত ৰাজ-কুঁৱৰী তালপাতখিনি কৃষবৰ্মাক দিবলৈ খোজাত কৃষ্ণবৰ্মাই তালপাতখিনি নল'লে।

ৰাজকুঁৱৰীয়ে কৃষ্ণবৰ্মাৰ মুখলৈ চাই থাকিল। তাৰ পাছত পুনৰ ক'লে :

"আমাৰ পূৰ্বজ হৈহয়বৰ্মাদেৱৰ ভয় সঁচা হ'ল। অজেয়বৰ্মাৰ শাসনকালত সমগ্ৰ দেশৰ ঠায়ে ঠায়ে বিদ্ৰোহে মূৰ দাঙি উঠিল। কেৱল প্ৰজা-বিদ্ৰোহ নহয়, সামন্ত ৰজাহঁতেও বিদ্ৰোহ কৰিলে আৰু নিজ নিজ অঞ্চলক স্বাধীন বুলি ঘোষণা

কৰিলে। কথা মাথোন সিমানেই নহয়; কিছুমান সামন্তৰজাই আনকি কৌমুদীদেশ আক্ৰমণো কৰিলে। এইবোৰ অৰাজকতা দমন কৰাত অজেয় অক্ষম হৈ পৰিল।

"অজেয়, বা তেওঁৰ পৰৱৰ্তী দুই- তিনি ৰজায়ো সেই বিপুল ধনৰাশি উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰা নহয়, কৰিছিল ; কিন্তু আটাইকেইজনেই সম্পূৰ্ণ ব্যৰ্থ হৈছিল। এই শিলামূৰ্তিৰ তলত যে ভূগৰ্ভস্থ সুৰুংগ আছে, তাকো আৱিষ্কাৰ কৰিছিল তেওঁলোকে ; কিন্তু শিলামূৰ্তিক চুলিপৰিমাণো লৰচৰ কৰিব পৰা নাছিল।

"মোৰ পিতৃৰ কোনো পুত্ৰসন্তান নাছিল, মই তেওঁৰ একমাত্ৰ সন্তান। সেই কাৰণে—মই এই তালপত্ৰ পঢ়াৰ অধিকাৰ পাইছিলোঁ। পঢ়াৰ অন্তত মই এই ঠাইলৈ আহিছিলোঁ, আৰু এই সৰ্প-প্ৰতিমাও দেখা পাইছিলোঁ। কিন্তু—মই অকলশৰে কেনেকৈনো সেই সুপ্ত-গুপ্ত ধন-ভঁৰাল আৱিষ্কাৰ কৰিম ?

"আপোনাৰ শক্তি, সাহস, সদিচ্ছালৈ লক্ষ্য কৰি আপোনাৰ কৰ্মক্ষমতাৰ বিষয়ে মোৰ পূৰ্ণ আস্থা হৈছে। আপুনি, কেৱল আপুনিয়েইহে এই দুৰূহ-জটিল কাম কৰি এই অপাৰ ধন-সম্পদক তাৰ অভূতপূৰ্ব ৰহস্যময়তাৰপৰা উদ্ধাৰ কৰিব পাৰিব, এই বিশ্বাসত মই দৃঢ়। ধন-সোণ মণি-মুকুতা হীৰা-জহৰতৰ কথা বাদেই দিয়ক, সেই মন্ত্ৰঃপূত তৰোৱালপাট আপোনাৰ হস্তগত হওক,—এয়ে মোৰ বাসনা। এই কাৰণেই মই মোৰ বিবাহৰ চৰ্ত হিচাপে পাৰৰ গাত এই ৰহস্যময়তাৰ চিত্ৰ অঁকাই তৃতীয় পৰীক্ষাৰ বন্দৰস্ত কৰিছিলোঁ। আমাৰ চোৰাংচোৱাইঁত যেতিয়া আপুনি অশ্বাৰূঢ় হৈ এই ফাললৈ ৰাওনা হোৱাৰ সংবাদ মোক দিলে, তেতিয়া—এই অতীতৰ ৰহস্যময় ৰাজত্বৰ তথা পৰিমাপ কৰিব নোৱৰা ধনৰাশিৰ কথা আপুনি জ্ঞাত হ'ল বুলি নিশ্চিত হ'লোঁ। সেইহে—আপুনি

যাতে অনাৱশ্যক বিপদক মূৰপাতি নলয়, সেই কথাতহে মই ইয়ালৈ আহিলোঁ আপোনাৰ পিছ লৈ। জাদু-টোনাৰ অশুভ শক্তিয়ে যাতে আপোনাৰ অনিষ্ট নকৰে, তাৰ বাবেইহে মই আপোনাৰ পিছে পিছে আহিবলৈ বাধ্য হ'লোঁ। আপোনাক তৃতীয় পৰীক্ষাৰ নামত তোলা-মহা নোপোৰা বিপদৰ মাজলৈ নিক্ষেপ কৰাৰ ইচ্ছা মোৰ সমূলি নাছিল। আৰু—পাত্ৰৰ গাত চিত্ৰ অঁকাই আপোনাক সেই জাদু-শক্তিৰ ঘোৰ বিপদৰ মাজলৈ মই নিক্ষেপ কৰিছোঁ বুলি মোৰ ধাৰণা হৈছিল।"

ইমানলৈকে শুনি কৃষ্ণবৰ্মাই নীৰৱে হাঁহিলে আৰু ক'লে, "চাওক ৰাজকুঁৱৰী, জাদু-শক্তিয়ে যিমানেই চকিয়ালী নকৰক সেই গুপ্ত ধন-ভঁৰালত, সেই ধন-ভঁৰাল উদ্ধাৰ কৰাৰ বাবে যে জাদুশক্তি নালাগে, সেই কথা হৈহয়বৰ্মাদেৱে স্পষ্টকৈ তাল-পাতত লিখি থৈ গৈছে। এই কাৰ্য্যত যে ভয়-ডৰৰ কোনো প্ৰশ্ন নাই—সেই কথা ধ্ৰুৱ। মই নিশ্চয় চেষ্টা কৰিম সেই হেৰোৱা অতীতৰ অতুল ধনৰাশি উদ্ধাৰ কৰিবলৈ। বিপদে যে মূৰ নাদাঙিবই, তেনে কথা মই কোৱা নাই; কিন্তু সেই বিদৰ মুখা-মুখি থিয় দিব পৰা হ'ব লাগিব। এতিয়া — শিলামূৰ্তিৰ ওচৰলৈ গৈ ভালকৈ নিৰীক্ষণ কৰোঁ আহক।"

কিছু সময় ধৰি শিলামূৰ্তিক গভীৰ অভিনিবেশৰে পৰীক্ষা-নিৰীক্ষাৰ অন্তত কৃষ্ণবৰ্মাই হঠাৎ কৈ উঠিল, "জ্যোৎস্না! চাওকহি!" সাপ দুটাৰ ফেঁট যি ঠাইত লগ লাগিছে — ঠিক তালৈ কৃষ্ণবৰ্মাই আঙুলিয়ালে। সেই ঠাইত ঘূৰণীয়াকৈ অতি সৰু-প্ৰায় চকুৰে নমনাবিধৰ বিন্ধা এটা আছিল।

"হয়, এইখিনিত—নিশ্চয় কিবা ৰহস্য আছে।" জ্যোৎস্নাই ক'লে।

"সন্দেহ নাই। অলপ চেষ্টা কৰিও চোৱা যাওক।" এই বুলি কৈ কৃষ্ণবৰ্মাই

জ্যোৎস্নাক একাষৰীয়া হৈ দিবলৈ ক'লে, আৰু ছুটা সাপৰ ফেঁট লগ লগা ঠাইত থকা সূক্ষ্মাতিসূক্ষ্ম বিন্ধাটোলৈ অতি নিপুণতাৰে টোঁৰাই কঁড়িয়ালে।

আৰু লগে লগে—নিমিষতে সেই বিন্ধাৰপৰা সাপৰ ফোঁচফোঁচনিৰ সুতীব্ৰ আৱাজ উঠিল, আৰু শিলামূৰ্তিৰ গুচি সেই ঠাইত গুমগুমনিৰ শব্দ উঠিল আৰু অকস্মাৎ শিলামূৰ্তি থকা ঠাইত এক বিৰাট সুড়ংগৰো সৃষ্টি হ'ল।

আৰু এই সুড়ংগৰ খটখটিয়েদি ছুয়ো—কৃষ্ণবৰ্মা আৰু জ্যোৎস্না—গৈ থাকিল, আৰু অন্ধকাৰৰ সুড়ংগৰ মাজেদি গৈ গৈ বিৰাট মুকলি প্ৰান্তৰ এখন পালেগৈ।

এই বিস্তৃত পথাৰত এক বিৰাট সৰোবৰ আছিল আৰু সৰোবৰৰ পানীত আছিল অসংখ্য স্বৰ্ণকমল। আৰু অসংখ্য স্বৰ্ণকমলৰ মাজত এটি মাত্ৰ শ্বেতপদুম ফুলি আছিল।

চাৰিওফালে চাই জ্যোৎস্নাই কৈ উঠিল, "ইয়াতে—ইয়াতে কোনোবা সুদূৰ অতীতৰ হেৰোৱা ৰাজত্বৰ ধ্বংসাৱশেষ থকা যেন পাইছোঁ।"

"হয়, তেনেকুৱাই যেন লাগিছে মোৰো। এই যে অসংখ্য স্বৰ্ণকমল—এইবোৰেই যে ধন-দৌলত, বা হীৰা-মাণিক নহয়, তাকো ন-দি ক'ব নোৱাৰি। এই শ্বেতপদুম হ'ব পাৰে সেই মন্ত্ৰঃপূত তৰৱাৰি। জাতু-শক্তিৰে হয়তো সেইবোৰ এই ৰূপতে ৰাখি থোৱা হৈছে।"

সৰোবৰৰ সিপাৰত এজোপা গছৰ তলত কেইটিমান পাত্ৰ আছিল। কৃষ্ণবৰ্মাই পাত্ৰৰ ঢাকনি খুলি চালে যে—এটা পাত্ৰত বিধোবিধ সুগন্ধি সুখাদ্য ৰান্ধি থোৱা আছে, অন্য এটা পাত্ৰত আছে অলপমান চাউল। তাত আথা, আৰু অন্যান্য বাচন-বৰ্তনো আছিল।

কৃষ্ণবৰ্মাই ৰাজকুঁৱৰী জ্যোৎস্নালৈ ঘূৰি চাই ক'লে, এই বিৰাট ধন-ভাণ্ডাৰ

উদ্ধাবকাৰীৰ বুদ্ধিৰ পৰীক্ষা ল'বলৈকো হৈহয়বৰ্মাদেৱে বন্দৱস্ত কৰি থৈ গৈছে। এই ৰন্ধা বস্তুখিনি কোনেও খোৱা উচিত নহয়, বেলেগে ৰান্ধি খাব লাগিব।" এই বুলি কৈ সেই চাউলখিনি আৰু বাচন-বৰ্তনখিতি হাতত লৈ কৃষ্ণবৰ্মা সৰোবৰৰ আন এমূৰলৈ গ'ল।

ৰাজকুঁৱৰী জ্যোৎস্নাই ক'লে, "দিয়ক, চাউলখিনি মই ধুই দিওঁ।"

কৃষ্ণবৰ্মাই ক'লে, "নহয়, মই ধুম। সৰোবৰৰ পানীতো যে কোনো ৰহস্য নাথাকিব—কোনে ক'ব?"

চাউলখিনি আৰু বাচন-বৰ্তনখিনি সৰোবৰৰ পানীৰে ধোৱাৰ লগে লগে অতিপাত তপত হৈ উঠিল। ইমান তপত হৈ উঠিল যে—হাতেৰে ধৰি ৰাখিব নোৱাৰি সৰোবৰৰ পানীত সেইবোৰ এৰি দিলে।

আৰু বাচন-বৰ্তনখিনি সৰোবৰৰ পানীত এৰি দিয়াৰ লগে লগে লগেই তাত সৰোবৰ নোহোৱা হৈ বিৰাট-বিশাল আশ্চৰ্য্যসুন্দৰ গুপ্ত ধন-ভাণ্ডাৰ দুয়োৰো বিস্মিত দৃষ্টিৰ আগত ওলাই পৰিল।

চিন্তাৰো অতীত এই বিপুল ঐশ্বৰ্য্য-ভাণ্ডাৰলৈ চাই থাকিল হতবাক কৃষ্ণবৰ্মা আৰু ৰাজকুঁৱৰী জ্যোৎস্নাই। যেতিয়া

আশ্চৰ্য্যময়তা কিছুখিনি হ্ৰাস হৈ আহিল, তেতিয়া সেই জাদু-তৰোৱাল বিচাৰি থাকিল কৃষ্ণবৰ্মাই।

সেই বিপুল ঐশ্বৰ্য্যৰাশিৰ জলক-তবক লগোৱা জিলমিলনিৰ মাজত চকুৰে তন্ন-তন্নকৈ অনুসন্ধান কৰি এপাট শ্বেত বৰণৰ তৰোৱাল অৱশেষত দেখা পালে কৃষ্ণবৰ্মাই।

কৃষ্ণবৰ্মা তালৈ লৰৰি গ'ল আৰু তেতিয়া সেই শ্বেত তৰোৱালৰ ঠাইত পুনৰ শ্বেতপদুম ফুলি থকা দেখা পাই উভালি আনিবলৈ চেষ্টা কৰাৰ লগে লগে শ্বেত পদুমৰ ঠাইত বিৰাট আকাৰৰ এটা ৰাক্ষস অকস্মাৎ আৱিৰ্ভূত হ'ল।

সে সেকৈ হাঁহি মাৰি ৰাক্ষসটোৱে কৃষ্ণবৰ্মাক ক'লে, "ৰাজকুমাৰ, ধনভাণ্ডাৰ পালা। সেইবোৰ লৈ যোৱাৰ সলনি কেলেইনো মোক মাতিলা?"

"মই ধনৰ লুভীয়া নহওঁ, ধন মোক নালাগে। মোক কেৱল লাগে—এই জাদু-তৰৱাৰি।" কৃষ্ণবৰ্মাই ক'লে।

"শুনা. ৰাজধৰ্ম জনা সৰ্বোত্তমেহে এই জাদু-তৰৱাৰি পাব। তুমি এই সীমাহীন ধন-ভাণ্ডাৰতে তুষ্ট হৈ থাকা, লৈ গুচি যোৱা।" ৰাক্ষসটোৱে ক'লে।

কৃষ্ণবৰ্মাই ক'লে, "প্ৰজাক বিপদৰপৰা ৰক্ষা কৰাটোহে হ'ল শ্ৰেষ্ঠ তথা পৱিত্ৰ ৰাজধৰ্ম। এই তৰৱাৰিৰে মই সেই ৰাজধৰ্ম পালন কৰিম।"

এই কথা শুনি, ৰাক্ষসটোৱে কৃষ্ণবৰ্মাৰ চৰণ স্পৰ্শ কৰি প্ৰণাম কৰি ক'লে, "হে ৰাজকুমাৰ! মই ইমান কাল ধৰি তোমালৈহে বাট চাই আছিলোঁ। এয়া লোৱা—মন্ত্ৰঃপূত তৰৱাৰি — চন্দ্ৰহাস!" এই বুলি কৈ, সেই জাদু-তৰোৱাল ৰাজকুমাৰ কৃষ্ণবৰ্মাৰ হাতত অৰ্পণ কৰি সেই ৰহস্যময় ঠাইৰপৰা চকুৰ পচাৰতে ৰাক্ষস অদৃশ্য হ'ল।

তাৰ পাছত কৃষ্ণবৰ্মাই ৰাজকুঁৱৰী জ্যোৎস্নাক ক'লে, "জোৎস্না, এয়া লওক— আপোনাৰ পূৰ্বজসকলৰ ধন-ভাণ্ডাৰ আৰু সেই মন্ত্ৰঃপূত তৰৱাৰি।"

জ্যোৎস্নাই জ্যোৎস্নাৰ দৰেই হাঁহিলে আৰু ক'লে, "এইবোৰত মোৰ আৰু অধিকাৰ নাই। কিয়নো — আপুনি তেবটীয়া পৰীক্ষাত উত্তীৰ্ণ হৈছে আৰু এই ঐশ্বৰ্য্যভাণ্ডাৰ, তৰৱাৰি, আৰু লগতে আনকি মোৰো অধিকাৰ প্ৰাপ্ত হৈছে।"

পাছ মুহূৰ্ততে ৰাজকুমাৰ কৃষ্ণবৰ্মাই ৰাজকুঁৱৰী জ্যোৎস্নাক বুকুৰ মাজত সাৱটি ল'লে আৰু কৃষ্ণবৰ্মাৰ বুকুৰ মাজত এবুকু জ্যোৎস্নাৰ দৰে জ্যোৎস্না সোমাই পৰিল।

শ্ৰীজগন্নাথ-কথা

২

সিদিনাই ৰাতিৰ পৰতে, ছেগ বুজি ললিতাই তাইৰ দেউতাকক কথাটো ক'লে। ক'লে যে—বিদ্যাপতিয়ে গুহাস্থিত ভগৱানৰ মূৰ্তি চাব খুজিছে।

বিশ্ববসুৱে জীয়েকলৈ নীৰৱ ক্ৰোধেৰে চালে ; কিন্তু মুখেৰে একো নক'লে।

খন্তেকমান মনে মনে থকাৰ অন্তত ললিতাই পুনৰ ক'লে, "দেউতা, মই হ'লো আপোনাৰ একমাত্ৰ সন্তান, নহয় জানো ? আপুনি যিজনা ঈশ্বৰক পূজিছে, আপোনাৰ মৃত্যুৰ অন্তত সেইজনা ঈশ্বৰক কোনে পূজিব ? এই দায়িত্ব আপোনাৰ জোঁৱায়েৰ বিদ্যাপতিয়ে ল'ব নালাগিব জানো ? এতেকে—গুহাস্থিত ঈশ্বৰমূৰ্তি তেওঁ দৰ্শন কৰে যদি—কিয়নো আমাক পাপে চুব ?"

"আই, বিদ্যাপতি আমাক এই জংগলত চিৰকাললৈ থাকিব বুলি তুমি ভাবানে ?"

"দেউতা, আপুনি যদি তেওঁক পুত্ৰৱৎ মৰম কৰে, ইয়াত নাথাকি ক'লৈ যাব ?"

"আই, এই কথা তুমি নিশ্চয় বুজি পাইছা যে—বিদ্যাপতি আমাতকৈ ঢেৰ বেলেগ পৰিবেশত ডাঙৰ-দীঘল হোৱা মানুহ। তাৰ আচাৰ-আচৰণ, সংস্কৃতিও বেলেগ। তথাপি তোমাৰ সন্তুষ্টিৰ কাৰণে তাৰ ইচ্ছা মই পূৰণ কৰিম।" বিশ্ববসুৱে জীয়েকক ক'লে।

গুহাস্থিত ঈশ্বৰৰ পূজাৰ দায়িত্ব আন কাৰোবাক দিয়াৰ পাছতহে গুহাৰ বাট-

'শিলামূৰ্তিৰ অন্তৰ্ধান'

পথৰ চিনাকি দিব পাৰি, এয়ে আছিল নিয়ম। এই নিয়ম তো ভংগ কৰিব নোৱাৰি। সেইহে, বিশ্ববসুৱে বিদ্যাপতিৰ চকুযুৰি কাপোৰেৰে বান্ধি ল'ব খোজাত বিদ্যাপতিয়ে কোনো আপত্তি নদৰ্শালে।

পাছদিনা বোৱাৰী পুৱাতে বিশ্ববসু গুহালৈ যাবলৈ সাজু হ'ল। বিদ্যাপতিৰ চকুত ক'লা কাপোৰ বান্ধি দিয়া হ'ল।

বিশ্ববসুৱে বিদ্যাপতিৰ সোঁহাতত ধৰি আছিল, আৰু বিদ্যাপতিৰ বাঁও হাতৰ মুঠিত আছিল এমুঠি সৰিয়হ। গুহালৈ ৰাওণা হোৱাৰেপৰা সেই সৰিয়হ বাটে বাটে পেলাই বিদ্যাপতিয়ে গুহাৰ দুৱাৰ মুখত ভৰি দিলেগৈ।

ভীল-চৰ্দাৰে বিশ্ববসুৱে বিদ্যাপতিক ক'লে, "আমি সেই গুহা পাইছোঁহি। তলমূৰ হৈ গুহাৰ ভিতৰলৈ ব'লা।" এই বুলি কৈ বিশ্ববসুৱে বিদ্যাপতিৰ চকুৰ বান্ধোন খুলি দিলে।

গুহাৰ ভিতৰত তেতিয়া নিমজ অন্ধকাৰ। বিদ্যাপতি সেই এবুকু অন্ধকাৰৰ মাজত চকু মেলি চাই থাকিল। লাহে-ধীৰে এন্ধাৰৰ পোহৰতে কিছু কিছু দৃষ্টিগোচৰ হ'ল। গুহাৰ ভিতৰত থকা প্ৰস্তৰবেদীক বিদ্যাপতিৰ দৃষ্টি বৈ গ'ল। এই প্ৰস্তৰবেদীৰ ভীল-চৰ্দাৰ বিশ্ববসুৱে ফুলেৰে সজালে।

অকস্মাৎ গুহাৰ ভিতৰফাল নীলা-বৰণীয়া হৈ উঠিল, আৰু মুহূৰ্তমানৰ পাছত



তাত বাঁহী বাদনৰত কৃষ্ণমূৰ্তি বিদ্যাপতিৰ দুচকুৰ আগত আবিৰ্ভূত হ'ল। আনন্দ আৰু আশ্চৰ্য্যময়তাৰে বিদ্যাপতিয়ে কৈ উঠিল, "আহা!"

"কি হ'লনো, বোপা?" ভীল-চৰ্দাৰে বিদ্যাপতিক সুধিলে।

বিশ্ববসুৰ কথাত বিদ্যাপতিয়ে যেনিবা চেতনা ঘূৰাই পালে। কিন্তু মুখেৰে একো প্ৰকাশ নকৰিলে, মনে মনে থাকিল।

বিদ্যাপতিয়ে যে তেওঁৰ ভাবাবেগৰ এই প্ৰকাশৰ কথা প্ৰকাশ কৰিবলৈ অত্যন্ত দ্বিধান্বিত হৈছে, সেই কথাৰ বুজ লোৱাত ভীল-চৰ্দাৰৰ কিছু পলম হ'ল। কিন্তু এই বিষয়ে আন একো নুসুধি, বিদ্যাপতিৰ চকুযুৰি পুনৰ কাপোৰেৰে বান্ধি গুহাৰপৰা ওলাই উভতি গ'ল।

ললিতাই বিদ্যাপতিক সুধিলে, "গুহাত কি নো দেখা পালে?"

বিদ্যাপতিয়ে ঠিক সাৱধানী মাতেৰে ক'লে, "এন্ধাৰ গুহাত কি নো দেখা পাম? বিশেষ একো দেখা পোৱা নাই।"

গুহাৰ ভিতৰত বিদ্যাপতিয়ে যি অলৌকিক দৃশ্য দেখিছিল, সেই কথা আনকি পত্নী ললিতাকো ক'বলৈ তেওঁ দ্বিধাগ্ৰস্ত হ'ল। সেই দৃশ্যৰ কথাটোৱে তেওঁক যদিও খোচা-বিন্ধা কৰিবলৈ ধৰিলে।

বিদ্যাপতিয়ে তেতিয়া ভাবি আছিল: দৈৱী প্ৰেৰণাৰে উদ্বুদ্ধ হৈ মহাৰাজ

ইন্দ্ৰদ্যুম্নই মন্দিৰ নিৰ্মাণ কৰি এক মহান কাৰ্য্য সাধিলে, আৰু সেই কাৰ্য্যৰ পৰিপূৰ্ণ ৰূপ দিবলৈ মোকো এক মহান দায়িত্ব দিলে। মহাৰাজে তেওঁৰ মহান বাসনা সফল কৰি তুলিবলৈ মোক প্ৰেৰণ কৰিছিল। কিন্তু মই ভীল-গাভৰু ললিতাক বিবাহ কৰাই আপোনাৰ সুতাৰে আপুনি বন্ধ হ'লোঁ। এতেকে — গুহাৰ ভিতৰত প্ৰত্যক্ষিত দৃশ্য ললিতাক কোৱাতকৈ মহাৰাজৰ কাৰ্য্য সধাটোহে আৱশ্যকীয়।

কিন্তু—কিন্তু কথাবোৰ ললিতাক নক'লে এই সমস্যাৰ সমাধানো কিজানি দুৰূহ হ'ব। ভীল-চৰ্দাৰে লৈ যোৱা গুহাস্থিত সেই শ্ৰীকৃষ্ণৰ প্ৰস্তৰমূৰ্তি যেনেকৈয়েই নহওক মহাৰাজ ইন্দ্ৰদ্যুম্নৰ ওচৰলৈ লৈ যোৱাটোহে এতিয়াৰ প্ৰধান কৰ্ত্তব্য— বিদ্যাপতিয়ে ভাবিলে। কিন্তু—মুহূৰ্ত্ততে অন্য এটা কথা ভাবিলে : শ্ৰীকৃষ্ণৰ এই প্ৰস্তৰমূৰ্তি লৈ গ'লে—সেয়া হ'ব ভীল-চৰ্দাৰৰ লগত বিশ্বাসঘাতকতাৰ নামান্তৰ।

কিন্তু—কিন্তু ভীল-চৰ্দাৰে — ললিতাৰ দেউতাকে মোৰ প্ৰতি বিশ্বাস স্থাপন কৰিছিলনে? যদি কৰিছিল — চকুযুৰি কাপোৰেৰে ইমান কটকটীয়াকৈ বান্ধিবৰ প্ৰয়োজন হৈছিল কিয় বাৰু? গতিকে— মই যদি এতিয়া যেনেকৈয়েই নহওক এই মূৰ্তি লৈ যাওঁ—কিবা অধৰ্ম হ'বনে?

এইদৰে, দিনৰ পাছত দিন ধৰি বিদ্যাপতিয়ে নানান তৰহৰে ভাবি থাকিল, সমস্যা সমস্যাতে থাকি গ'ল।

ইপিনে — বিদ্যাপতিৰ আমন-জিমন ভাবলৈ লক্ষ্য কৰি ললিতা কিছু চিন্তিত হ'ল। কিহৰ কাৰণে বিদ্যাপতি ইমান আনমনা? তাইক বিয়া কৰাবৰ কাৰণেহে এতিয়া পস্তাইছেনে? কথাটো ললিতাই তাইৰ স্বামী বিদ্যাপতিক সুধিলে।

বিদ্যাপতিয়ে ক'লে, "ইয়াত বহু দিন পাৰ হ'ল! সিপিনে—মোৰ মা-দেউতাই নিশ্চয় মোৰ বাট চাই আছে। বৃদ্ধ


Sankar



মই ভ্ৰূক্ষেপ নকৰোঁ।" ললিতাৰ দুগাল তিয়াই ধাৰাসাৰ চকুলো বাগৰি আহিল ঃ

উচুপি থকা ললিতাই পুনৰ ক'লে, "ময়ো আপোনাৰ লগত গুচি গ'লোঁহেঁতেন ; কিন্তু মোৰ দেউতাক কোনেনো চোৰা-মেলা কৰিব ?"

"তোমাৰ কথা ঠিক। দেউতাক অকলশৰে এৰি গুচি যোৱাটো অকৰ্তব্য হ'ব। গতিকে — তুমি ইয়াতে থাকা। মই মোৰ বৃদ্ধ পিতা-মাতাক চাই, যিমান শীঘ্ৰে পাৰোঁ ইয়ালৈ পুনৰ আহিম।" বিদ্যাপতিয়ে ললিতাক সান্ত্বনা দিলে।

"সঁচা? আপুনি সঁচাকৈয়ে শীঘ্ৰে উভতি আহিবনে?" ললিতাই সুধিলে।

"তোমাক এৰি মই কেনেকৈনো থাকিম?" বিদ্যাপতিয়ে এই কথা কোৱাত ললিতা কিছু আশ্বস্ত হ'ল।

ললিতাই কথাখিনি তাইৰ দেউতাকক ক'লে আৰু বিশ্ববসুৱে বিদ্যাপতিৰ বক্তব্যক মনে-চিতে মানি ল'লে।

বিদ্যাপতিক যথোচিত উপহাৰ আদি দিবলৈ বন্দৱস্ত কৰা হ'ল। এইবোৰলৈ বিদ্যাপতিৰ মন নাছিল। বিদ্যাপতিয়ে ক'লে, "এতিয়া উপহাৰ লৈ যোৱাৰ সময় নহয়। যেতিয়া ললিতাক আমাৰ তালৈ লৈ যাম, তেতিয়াহে এইবোৰলৈ যাব পাৰিম।

পিতা-মাতাৰ উদ্বেগ নিৰসন কৰা মোৰ কৰ্তব্য নহয়নে? কিন্তু—তোমাকো এৰি যাবলৈ টান পাইছোঁ। আকৌ—তোমাক যদি আমাৰ তালৈ লৈ যাওঁ -- আমাৰ মানুহবিলাকে তোমাক কিজানি সহজ মনেৰে মানি নল'ব—সেই ভয়ো মোৰ মনত একেবাৰে নথকা নহয়। আৰু—তোমাৰ দেউতাৰায়ো তোমাক নেদেখাকৈ থাকিব পাৰিবনে সন্দেহ।"

"মোক যিমান দিনলৈকে আপুনি মৰমৰ চকুৰে চাব—মোৰ কোনো অভাৱ বোধ নহ'ব, কোনো কথাত চিন্তা নহ'ব। কোনে মোক কি ক'লে-নক'লে—তালৈ

তাৰ আগতে মোৰ মা-দেউতাক মোৰ বিবাহৰ বিষয়ে বুজাই ক'ব লাগিব।"

কথাটো বিশ্ববসুৱে মানি ল'লে। তাৰ পাছত বিশ্ববসুৱে জোঁৱায়েকৰ যাত্ৰাৰ বন্দৱস্ত কৰিলে।

বিশ্ববসু আৰু ললিতাৰপৰা যথাৰীতি বিদায় লোৱাৰ অন্তত বিদ্যাপতি ঘোঁৰাত উঠি বহিল আৰু ৰাজধানীলৈ বুলি ৰাওনা কৰিলে। ললিতাই পতি বিৰহৰ যাতনা সহিব নোৱাৰি কান্দি উঠিল আৰু কান্দি থকা অৱস্থাতে বাধা নমনা অশ্ৰুজলেৰে পতি বিদ্যাপতিক বিদায় দিলে। বিদ্যাপতিয়ে তাৰ ঘোঁৰাটোৰ লেকামত ধৰি ঘোঁৰাটোক চেঁকুৰিবলৈ ইংগিত কৰিলে।

সেই যে প্ৰথমদিনা চকু বন্ধা অৱস্থাত গুহালৈ গৈ থাকোঁতে বাটে সৰিয়হ পেলাই গৈছিল, সে সৰিয়হৰপৰা পুলি উপজি গুহালৈ যোৱাৰ বাট পৰিষ্কাৰভাবে ওলাই পৰিছিল। বিদ্যাপতিয়ে অতি সহজেই ঘোঁৰা চলাই সেই গুহা পালেগৈ।

গুহাৰ ঘাই দুৱাৰ লোকচকুৰ আঁৰত ৰখাৰ বাবে ডাঙৰ ডাঙৰ শিলেৰে ঢাকি থোৱা হৈছিল। ঘোঁৰাৰপৰা নামি, সেই শিলবোৰ বহু কষ্টেৰে আঁতৰাই বিদ্যাপতি গুহাৰ ভিতৰলৈ সোমাল। তাত বিদ্যাপতিয়ে পুনৰ দিব্য অনুভূতি উপলব্ধি কৰিলে। বিদ্যাপতিয়ে ভগৱন্তলৈ ক্ষমা প্ৰাৰ্থনা কৰি ক'লে : "হে ভগৱান! তোমাক মই বাধ্যত পৰি ইয়াৰপৰা লৈ যাম— এই কাৰ্য্য যদি অপৰাধ হয় — মোক ক্ষমা কৰিবা।" এই বুলি কোৱাৰ অন্তত প্ৰস্তৰ বেদীত থকা সৰু শিলামূৰ্তিটি জোলোঙা এটাত ভৰাই লৈ বিদ্যাপতি গুহাৰপৰা তৎক্ষণাৎ ওলাই আহিল।

কিন্তু কোন দিশলৈ গ'লে যে ৰাজধানী পাবগৈ, বিদ্যাপতিয়ে সঠিক ঠাৱৰ কৰিব নোৱাৰি, অশ্বটোক তাৰ ইচ্ছামতে আগ বাঢ়ি যাবলৈ ইংগিত দিলে। [আগলৈ

সময়ৰ শৰ

বিজয়পুৰীৰ ৰাজদৰবাৰত কাম কৰা ৰামদেৱ এজন ডাঙৰ যাদুকৰ আছিল। ৰামদেৱৰ উপস্থিত বুদ্ধিও আছিল প্ৰখৰ। এবাৰ ৰজাই ৰাজ-পৰিয়ালৰ আ-অলংকাৰৰ প্ৰদৰ্শনী পাতিলে প্ৰজাবৰ্গক দেখুৱাবলৈ। এই প্ৰদৰ্শনী চাবলৈ ৰামদেৱৰ লগ লাগি তেওঁৰ বন্ধু হৰিশো আহিল।

পহৰীয়া-ধৰীয়াইতৰ চকুত বালি মাৰি ৰামদেৱৰ বন্ধু হৰিশে অসংখ্য ৰকমৰ অলংকাৰৰ মাজৰপৰা সাতসৰী হাৰ এধাৰ চুৰি কৰি চোলাৰ জেপত ভৰাই ল'লে। ঘটনাটো বন্ধু ৰামদেৱৰ অগোচৰ হৈ নাথাকিল। তেওঁ বিভ্ৰান্ত হ'ল। এতিয়া তেওঁ কি কৰিব? ৰজাক জানিও নক'লে নিমখহাৰামী হ'ব, আৰু ক'লে হৰিশক ফাঁচিৰ জৰীত ওলমোৱা হ'ব।

মুহূৰ্ততে ৰামদেৱে প্ৰদৰ্শনীত উপস্থিত থকা মহাৰাজক আৰু দৰ্শকসকললৈকো কৈ উঠিল, "মই এতিয়া আপোনালোকক যাদু দেখুৱাম। প্ৰদৰ্শনীত থকা অলংকাৰ এপদ ইয়াতে থিয়ে থিয়ে নোহোৱা কৰি মোৰ বন্ধুৰ চোলাৰ জেপৰপৰা উলিয়াম।" এই বুলি কৈয়েই যাদুকৰ ৰামদেৱে তেওঁৰ সোঁহাতখন শূন্যত জোকাৰিলে, আৰু পাছ মুহূৰ্ততে সেই সাতসৰী হাৰডাল বন্ধু হৰিশৰ চোলাৰ জেপৰপৰা উলিয়াই দৰ্শকক আৰু মহাৰাজকো মোহিত কৰিলে।

বন্ধু হৰিশ লাজত ৰঙা পৰিল। ৰামদেৱে যে তেওঁক উপস্থিত বুদ্ধিৰ সহায়ত ৰক্ষা কৰিলে সেই কথাত তেওঁ বন্ধুৰ ওচৰত ধৰুৱা হৈ থাকিল। —অজয়কুমাৰ বৰ্মন

কথা-শুনা শহা

বহু বহু কালৰ আগত কথা। গ্রিকদেশৰ এঠাইত এহাল বুঢ়া-বুঢ়ী বাস কৰিছিল। এদিন বুঢ়াই বুঢ়ীক ক'লে, "হে—এৰা, শুনা, তুমি আমাৰ গাইজনীক হাটলৈ লৈ যোৱা, বেচি আহাগৈ। ময়ে গ'লোহেঁতেন, কিন্তু মোৰ ভাৰি তুখন বৰ বিষাইছে।"

বুঢ়ীয়ে গাইজনীক লৈ হাটলৈ গৈ থাকিল। বাটত তিনিটা চোৰে বুঢ়ীক লগ পাই ভাবিলে ঃ বুঢ়ী নিশ্চয় গাইজনী বেচিবলৈ হাটলৈ ষাবলৈ ওলাইছে! যেনেতেনে গাইজনীক পানীৰ দামত কিনিব লাগিব। সিহঁত তিনিটাই বুধি এটা পাঙিলে।

প্ৰথমটো চোৰে বুঢ়ীক ক'লে, "আইতা, ছাগলীজনী—বেচিবানে কি?"

"হাৰে বুদ্ধু, তাই কণানে অন্ধলা? দেখি আছ গাই—কৈছ ছাগলী। তোৰ চকুযুৰি কিবা জোনত থৈ আহিছনে কি?" বুঢ়ীয়ে খঙতে কৈ দিলে।

চোৰটোৱে তাৰ চকু দুটা ভালকৈ মোহাৰি লোৱাৰ ভাও জুৰিলে, গাইজনীৰ পিনে কেইবাবাৰো ঢেলুক চকুৰে চালে আৰু তাৰ পাছত ক'লে, "আইতা, তেৰাৰ নামত কিৰা, এইজনী ছাগলীহে। যদি ত্রিছ টকাত বেচা—মোক দিবা।"

বুঢ়ীয়ে তাইৰ হাতত থকা লাখুটিডাল শূন্যত জোকাৰি ক'লে, " আৰে—যা, যাগৈ তই। ওলাইছ বৰ গাই কিনা মহাজনটো, গুচ্ ইয়াৰপৰা।" এই বুলি কৈ, বুঢ়ী হাটলৈ বুলি গৈ থাকিল।

কিছু সময়ৰ অন্তত— বুঢ়ী আৰু অলপ আগ বাঢ়ি যোৱাৰ পাছত দ্বিতীয়

'গ্রিছদেশৰ লোক-কথা'

চোৰটোৱে বুঢ়ীক লগ ধৰি ক'লে, "আই, ক'লৈ যাবলৈ ওলাইছানো ?"

"হাটলৈ। এইজনীক বেচিম।"

"অ'—হয়নে কি? বেচিবা? তেনেহ'লে মোৰ ওচৰত নেবেচা কিয়? মই পঁচিছ টকা দিম।" দ্বিতীয় চোৰটোৱে ক'লে।

"হাৰে মূৰ্খৰ পোৱালি! তোৰ লাওখোলাটোত কেৱল গোবৰহে আছে-গৈনে? পঁচিছ টকাৰে দেখোন ছাগলীও নাপাব।" বুঢ়ীয়ে ক'লে, "কিয় মই ছাগলীৰ দামত গাই বেচিম?"

দ্বিতীয় চোৰটোৱে আচৰিত হোৱাৰ ভাও জুৰি ক'লে, "আই, তোমাৰ দেখোন তিনিকাল লগৈ একালত লাগিল। তোমাৰ চকু দুটা কিজানি বেয়াহে হ'ল। নহ'লে — দেখ দেখ ছাগলী এজনীকে গাই বুলি কৈছা কেনেকৈ'নো!"

বুঢ়ীয়ে এবাৰ ভালকৈ চাই ল'লে, "অ'—হয়নে? ভাল বাৰু। হ'ব দে, মোৰ গাইজনী যদি ছাগলী হৈছে, আমত আমৰা লাগিছে চ'গৈ যাগৈ।" এই বুলি কৈ কৈ বুঢ়ী আগ বাঢ়িল। কিন্তু বুঢ়ীৰ মনত সন্দেহৰ কাঁইটে খোঁচা-বিন্ধা কৰি থাকিল। কিয়নো ইহঁতে ছাগলী বুলি কয়? এইবোৰ সাতে-সোতৰই ভাবিথাকোঁতেই তৃতীয়টো চোৰে বুঢ়ীৰ পিছফালৰপৰা বুঢ়ীক মাত লগালে, "পেহী, হাটলৈ আৰু বহুত দূৰ। সেইহে কওঁ—ছাগলীজনী বেচিবা যদি—মই বিছ টকা দিম।"

"তেনেহ'লে এইজনী নিশ্চয় ছাগলীয়েই! কিবা জাদু-টোনা কৰিলেনে কি কোনোবা-কুমুবিয়ে? মই ঘৰৰপৰা ওলাওঁতে গাইজনী লৈ ওলালোঁ, এতিয়া হ'ল ছাগলী!" বুঢ়ীয়ে বিভ্ৰান্ত হৈ ক'লে।

"পেহী, তোমাক পিত্তান্তক বেমাৰে ধৰিছে যেন পাওঁ। বিছ টকাত ছাগলীজনী বেচি, ঘৰলৈ যোৱা, আৰু শোৱাগৈ।" চোৰটোৱে ক'লে।

"এজনে ত্ৰিছ টকা দাম দিছিল; আন

এজনে পঁচিছ, আৰু তুমি বিছ। পিছে—দাম ত্ৰিছ টকাকে লাগিব।" বুঢ়ীয়ে ক'লে।

"এই সামাইন ছাগলীজনীৰ দাম ত্ৰিছ টকা! বৰ বেছি হৈছে পেহী। যেই কি নহওক—বুঢ়ী মানুহ—কৈছা—দিম বাৰু ত্ৰিছ টকাকে।" চোৰটোৱে ত্ৰিছটা টকা বুঢ়ীক দিলে। গাইজনীক ছাগলী বুলি ভাবি ত্ৰিছ টকাত বেচি, ঘৰ পাই, বুঢ়ীয়ে বুঢ়াক সকলো বিবৰিলে।

বুঢ়াই ভালেকৈয়েই বুজি পালে যে—সেই তিনিওটায়ে এটা দলৰ, আৰু তিনিটায়েই হ'ল ঠগ। বুঢ়াই বুঢ়ীক ক'লে, "সেইবোৰ এতিয়া গ'ল-ব'ল কথা। আগলৈ যি কৰিব লাগে মই কৰিম।"

অলপ সময়ৰ পাছত বুঢ়া ওলাল আৰু দেখাত হুবহু এক—দুটা শহা পহু কিনি লৈ আহিল। এটা শহা ঘৰত এটা সজাত ভৰাই থ'লে আৰু দ্বিতীয়টো শহাকো এটা সজাত ভৰাই, সজাটো হাতত লৈ, বুঢ়ীক ক'লে "হে-এৰা, শুনিছানে? আজি আমাৰ ঘৰত আলহী আহিব, খোৰা-বোৰা কৰিব। ৰুটী, হাঁহৰ মাংস আৰু পায়স ৰান্ধি থ'বা। মই এতিয়া ওলাইছোঁ, উভতি আহি তোমাক সুধিম কি কি বস্তু ৰান্ধিছ।? তেতিয়া তুমি তৎক্ষণাৎ ক'বা যে শহাটোৱে যি যি বস্তু ৰান্ধিবলৈ কৈছেহি তাকে ৰান্ধিছোঁ। ভুল নকৰা যেন, চাবা।"

বুঢ়া যেতিয়া চুবুৰীয়া গাঁৱলৈ গ'ল, তেতিয়া সেই চোৰ তিনিটাই চুলাই খাই বাটৰ ওপৰত হৈ-হাল্লা কৰি আছিল। এটা চোৰে বুঢ়াক ক'লে, "হাৰে বুঢ়া! তোমাৰ বুঢ়ীয়ে গাই কাক কয় ছাগলী কাক—তাকো নাজানে।"

"বোপা, কিনো কৰিম? তাইৰ মূৰ বিগৰিল কিছুদিনৰপৰা। পিছে—তেও তাইক ঘৰৰপৰা খেদা নাই। কিয়নো—তাইৰ ৰন্ধা বস্তুৰ সোৱাদ কি চাবা!"

"তেও ভাল।" চোৰ এটাই ক'লে।

বুঢ়াই ক'লে, "বুঢ়ীৰ ৰান্ধনৰ জুতি

পোৱাৰ মন আছেনে কি ?"

তিমানতে তাত তিনিওটা চোৰেই লগ লাগিছিলহি। শুনি তিনিওটায়েই কৈ উঠিল, "আছে—আছে। নাথাকিবনো কেলে? জুতি লৈ চাম, তুয়ো হাতে খাম।"

"ভাল, বাৰু।" বুঢ়াই তেওঁৰ হাতত থকা সজাটোৰ পৰা শহাটোক উলিয়াই আনিলে আৰু চোৰ তিনিটাই ভালকৈ শুনি পোৱাকৈ শহাটোক ক'লে, "এই শহা, তুৰন্তে ঘৰলৈ গৈ বুঢ়ীক ক'গৈ যে—আজি আমাৰ ঘৰত তিনিজন আলহী আহিব খাব ল'ব। ক'গৈ যা—যে—ৰুটী, হাঁহৰ মাংস আৰু পায়স ৰান্ধিব লাগিব। তুৰন্তে যাবি আৰু ক'বি।" এই বুলি কৈ, বুঢ়াই শহাটোক এৰি দিলে আৰু সজাৰপৰা এৰা খাই চকুৰ পচাৰতে-জঁাপ মাৰি শহাটো পলাই গ'ল।

বুঢ়াৰ ঘৰলৈ গৈ চোৰ তিনিটাই আচৰিত মানিলে। বুঢ়াই শহাটোক যি কথাখিনি বুঢ়ীক ক'বলৈ কৈছিল, যি যি পদা পদাৰ্থ ৰান্ধিবলৈ কৈ পঠাইছিল, হুবহু সেই সেই বস্তু ৰন্ধা হৈছিল।

বুঢ়াক বহুত খোচামতি কৰি কৈ-মেলি এই কথা-শুনা-শহা'টোক হেজাৰ টকাৰে চোৰ তিনিটাই কিনি লৈ গ'ল।

তাৰ পাছত পৰীক্ষাৰ মনেৰে শহাটোক এটাক চোৰে তাৰ ঘৈণীয়েকৰ ওচৰলৈ কিবাকিবি কৈ পঠালে। আৰু লগে লগে এই শহাটোয়ো তেনেকৈ জঁাপ মাৰি চকুৰ পচাৰতে দৌৰি পলাল।

পাছত শহাটোৰ যেতিয়া আৰু উম-ঘাম নোপোৱা হ'ল, চোৰ তিনিটাই বুঢ়াক লগ ধৰিলেগৈ।

বুঢ়াই ক'লে, "বোপাহঁত, কথা-শুনা শহাটো আমাৰ ছাগলী হেৰা গাইজনীক বিচাৰি আনিবলৈ গ'ল। কথা-শুনা শহাটোৰে এই বিশেষ কথাষাৰ কৈহে তোমালোকৰ হাতত গটাই দিছিলোঁ।

বিচিত্ৰ বিচাৰ

সোণপুৰ গাঁৱৰ মণিৰামে কলম্বিকা নামৰ ঔষধিফুলৰ পুলি লগাইছিল। সেই পুলি লহপহীয়া হৈ আনকি ঘৰৰ দুৱাৰ-মুখতো বগাই উঠিল।

একেইখন গাঁৱত আছিল বিমল নামৰ এজন খেতিয়ক। বিমল দেহাতো শকত, মনতো. আৰু ধনতো। এই বিমলৰ ছাগলীজনীয়ে মণিৰামৰ কলম্বিকাৰ পাত কিছুমান এদিন খাই অঁতালে।

তাৰ পাছতো কেইবাদিনো বিমলৰ ছাগলীজনীয়ে মণিৰামৰ কলম্বিকা খাবলৈ গৈছিল, কিন্তু মণিৰামে ছাগলীজনীক তৎক্ষণাৎ খেদি দিছিল।

এদিন ৰাতিপুৱাতে বিমলৰ ছাগলীজনীক দেখা পাই মণিৰাম জালিম যেন হৈ উঠিল আৰু কুঠাৰ এখন দাঙি লৈ ছাগলীজনীলৈ দলিয়াই পঠালে। কুঠাৰখন ছাগলীজনীৰ মূৰত লাগিলগৈ আৰু লগে লগে ছাগলীজনী মৰিল। ছাগলীজনী এনেকৈ মৰিব, মণিৰামে ভবা নাছিল।

ছাগলীজনী মৰাৰ খবৰ মুহূৰ্ততে বিমলে পাই গ'ল, আৰু তৎক্ষণাৎ মণিৰামৰ ঘৰলৈ আহি গ'ল। মোচত তাও দি দি বিমলে মণিৰামক ক'লে, "মোৰ এই ছাগলীজনী যেনতেন ছাগলী নাছিল. আছিল আজমীঢ়ি ছাগলী। এশ টকাৰে কিনি আনিছিলোঁ। দিয়া টকা এশ।"

মণিৰামে বিমলক দহটা টকা, বা ছাগলী এজনী কিনি আনি দিব খোজাত বিমল একোপধ্যে মান্তি নহ'ল। তেতিয়া মণিৰামে খাৰাংখাচ কৈ দিলে, "তুমি দেহাতো শকত, ধনতো শকত; কিন্তু

বীৰেন ফুকন

মই তোমাৰ পৰোৱা নকৰোঁ। দহ টকা লোৱা ন'হলে যি মন যায় কৰা।"

মণিৰামৰ কথা শুনি বিমল পোনে পোনেই গাঁৱৰ জমিদাৰৰ কাষ চাপিল।

সোণপুৰৰ জমিদাৰ শংকাশীল আছিল ব্যক্তিত্ব নথকা ব্যক্তি। ঘটনাৰ কথা শুনি, ভাবি, কোন যে এই ঘটনাৰ ধাই অৰ্থাৎ অপৰাধী কোন -- ঠাৱৰ কৰিব নোৱৰা হ'ল। যি কি নহওক—জমিদাৰ শংকাশীলে মণিৰামক তুৰন্তে মতাই অনালে। বিচাৰ তো কৰিব লাগিবই।

জমিদাৰৰ প্ৰশ্নৰ উত্তৰত মণিৰামে ক'লে, "মই জানি-বুজি বিমলৰ ছাগলী-জনীক মাৰি পেলোৱা নাই, কুঠাৰ দলিউৱাত দুৰ্ভাগ্যক্ৰমে সেইজনীৰ মূৰত লাগি মৰি থাকিল।"

"কিন্তু — জগৰীয়া তুমিয়েই নহয় জানো?" জমিদাৰে সুধিলে।

"এই কথাত মোৰনো কি জগৰ লাগিল? মোৰ কলম্বিকা বিমলৰ ছাগলী-জনীয়ে নোখোৱাহেঁতেন মোৰ নিশ্চয় খং নুঠিলেহেঁতেন, আৰু কুঠাৰো দলিয়াই নপঠালোহেঁতেন। এই দুখলগা ঘটনাৰ ধাই—আচলতে সেই কলম্বিকাজোপা।"

"ঠিক। কিন্তু—তুমি সেই কলম্বিকানে বিলম্বিকাজোপা ৰুইছিলানো কিয়?"

মণিৰামে মুহূৰ্তমান ভাবি লৈ ক'লে, "আমাৰ তাত থকা কেশৱ নামৰ মানুহজনে মোক কলম্বিকাৰ পুলি দিছিল। মই সেই পুলি বাৰীত ৰুইছিলোঁ। কি ভুল কৰিছিলোঁ ক'বনে?"

এই কথা শুনি জমিদাৰ শংকাশীলে ভাবিলে যে—এই ঘটনাৰ মাধ হ'ল সেই কেশৱ। তেওঁ কেশৱক মতাই অনালে।

জমিদাৰে মাতি পঠাইছে—এই কথা শুনিয়েই কেশৱৰ বুকুত কঁপনি উঠিল। কেশৱে ভাবিলে: মই তো কেতিয়াও কাৰো কেঁচা আলিত ভৰি দিবলৈ যোৱা নাই, তথাপিনো মোক মাতিছে কেলে'?

জমিদাৰে কেশৰক ক'লে, "শুনা, তুমি মণিৰামক সেই কলম্বিকানে বিলম্বিকাৰ পুলি দিছিলা, কথাটো সঁচানে ?"

সেপ ঢুকি কেশৰে ক'লে, "সঁচা।"

"চোৰা, তুমি সেই পুলি মণিৰামক দিলা, মণিৰামে তাৰ বাৰীত পুতিলে, সেই পুলি লহপহীয়া হ'ল, বিমলৰ ছাগলীয়ে খালে, তেতিয়া মণিৰামে কুঠাৰ দলিয়াই ছাগলীজনীক মাৰি পেলালে। এই ঘটনাৰ ঘাই অপৰাধী তুমিয়েই। কি কোৱা ?" জমিদাৰে কেশৰকসুধিলে।

শুনি কেশৰৰ বুকু চিৰিংকৈ গ'ল। কেশৰে কঁপি কঁপি সেপ ঢুকি কথমপিহে কলে, "হ—হ—হুজুৰ! এই কথাত মোৰ—তিলমানো জগৰ নাই। কলম্বিকাৰ দোষে যদি কাৰোবাক ছুইছে—তেওঁ হ'ল আমাৰ সেই জ — জ — জোলোঙা কোবোৰা ঢোলকাই।"

"ঢোলপাই?—ঢোলপাই মোনে কি ?" জমিদাৰে জাজৰণি মাৰিলে।

"হুজুৰ, ঢোলপাই নহয়, ঢোলকাই। ঢোলকাইহ'ল—বেজ। এবাৰ মোৰ গোটেই গাত খজুৰতি হৈছিল, তেতিয়া মই ঢোলকাইৰ কাষ চপাত তেওঁ মোক কলম্বিকাৰ গুটি দিছিল, আৰু খজুৰতি একেবাৰে দূৰতে বিদূৰ কৰিববৈ এই



কলম্বিকাৰ পাত শাক হিচাপে খাববৈ দিছিল। এই একেই কাৰণত মই দিছিলোঁ মণিৰামক। গতিকে—এই কথাত মোৰ হুজুৰ, জগৰ-তগৰ নাই। এই অথন্তৰীয়া কাণ্ডৰ ঘাই হ'ল সেই জোলোঙা কোবোৰা ঢোলকাই।" কেশৰে ক'লে।

কেশৰৰ কথাখিনি ঠিকেই যেন পালে জমিদাৰ ডাঙৰীয়াই। আৰু তেওঁ তৎ-মুহূৰ্ততে ঢোলকাই বেজক মাতি আনিববৈ মানুহ এজনক তুৰন্তে পঠালে।

এই জমিদাৰে যে আচলতে এটি চেৰা-বলিয়া, ভাৱৰ ঢোলকাই বেজে বাৰুকৈ জানিছিল। গতিকে — ঢোলকায়ে থৰ-

কাছুটি হেকৰাই হেঁফাই-ফোঁপাই দৌৰি দৌৰি আহিল জমিদাৰৰ ওচৰলৈ।

ঢোলকাইক দেখা পায়েই জমিদাৰে কৈ উঠিল, "হেৰা ঢোলপাই, এয়ানো কি কৰিলাহে? খজুৰতি হৈছিল—দৰবেৰে খজুৰতি মাৰি দিব লাগিছিল। পিছে—সেই কলম্বিকা-বিলম্বিকাবোৰ কিহলৈনো দিছিলা? সেই বিলম্বিকাৰ পাত চোবাই খাবলৈ দিহা দিছিলানো কিয়?"

ঢোলকায়ে—কথাটো যে কি—পট্‌কৈ ঠাৰৰ কৰিব নোৱৰা হ'ল। ঢোলকায়ে সুধিলে "কিবা—বিলম্বিকাই কাৰোবাক কিবা বিলৈত পেলালেনে হুজুৰ?"

"পেলালে তো!" জমিদাৰে ক'লে, "কেশৰৰ খজুৰতি হ'ল। খজুৰতি মাৰিবলৈ তুমি দিলা তাক কলম্বিকানে বিলম্বিকা, সেই পুলি সি দিলে মণিৰামক, মণিৰামে কলে তাৰ বাৰীত, সেইজোপা লহপহীয়া হৈ ঘৰৰ চালত উঠি নামি আহিল দুৱাৰ-মুখত, তাত পাই আমাৰ বিমল-খেতিয়কৰ ছাগলীয়ে খালে, খোৱাত খং খাই—মণিৰামে কুঠাৰেৰে বিমলৰ ছাগলীজনীক মাৰি পেলালে, বিমলে খুঁজিলে মণিৰামৰ-পৰা টকা এশ ক্ষতিপূৰণ। —এতিয়া কোৱা, এই ঘটনাত তুমিয়েই বাৰু ঘাই অপৰাধী নহয়নে?"

শুনি ঢোলকাইৰ মূৰত যেনিবা দিনে-পোহৰে চৰগ পৰিল। এই ঘটনাত দোষ আচলতে বিমলৰ। কিন্তু এই জমিদাৰক সেই কথা বুজোৱা টান। তথাপি ঢোলকায়ে চেষ্টা এটা কৰি চাব।

ঢোলকায়ে জমিদাৰক ক'লে, "হুজুৰ, খজুৰতি বৰ মাৰাত্মক বেমাৰ। হ'লে আৰু কথা নাই—তেজ ওলালেও খজুৰ ই থাকিবই লাগিব। যিমানে যি দৰব খাওক-লগাওক—সাময়িক উপশম হ'লেও স্থায়ী উপশম নহ'ব। সেইহে—স্থায়ী উপশমৰ কাৰণে লাগিব কলম্বিকা। আপুনি এই কথা অন্যান্য নামডাক থকা

বেজকো সুধি চাব পাৰে। —যি ঘটনা ঘটিল, তাৰ বাবে মই দুঃখিত; কিন্তু মই একোপধ্যে জগৰীয়া নহওঁ, হুজুৰ।"

ঢোলকাইৰ কথাখিনি জমিদাৰে ভাবি চালে, আৰু ঢোলকায়ে সঁচা কোৱা যেনেই পালে। তথাপি তেওঁ ঢোলকাইক ক'লে, "বাৰু বুজিলোঁ, পিছে — তুমিনো এই গাঁৱতে বেজালি কৰিবলৈ ল'লা কিয়?"

এই কথাৰ উত্তৰত ঢোলকায়ে ক'লে, "হুজুৰ, আপুনি ভাল কথাকে সুধিছে। এই গাঁৱত বেজালি কৰাত মোৰ গাত কোনো দোষ নাই। ঘটনা আছিল এয়ে যে—যেতিয়া মই মোৰ গুৰুৰ অধীনত বেজালি শিকি আছিলোঁ—তেতিয়া এবাৰ আপোনাৰ স্বৰ্গীয় পিতাজী ছিৰি ছিৰি ছিৰি জগৰনাথজীয়ে আমাৰ গুৰুৰ ওচৰলৈ আহি ক'লে যে—সোণপুৰ গাঁৱত এজনো বেজ নাই, আৰু তাৰ ফলত গাঁৱৰ ৰাইজৰ বৰ কষ্ট হৈছে। ঠিক সেই সময়ছোৱাত বিমলৰ দেউতাৰকো কিবা বেমাৰে ধৰিছিল। আপোনাৰ পিতাজী আৰু বিমলৰ দেউতাৰ আছিল—যাক বোলে নল-গল বন্ধু। কথাটো আপুনি গাঁৱৰ ৰাইজক সুধিলেই গম পাব, আৰু কিজানি আপুনিও জানিব।"

"হয় হয়, নাজানিম কেলেই? হে হে, তেওঁলোকৰ দোস্তালিৰ কথা আজিও গাঁৱৰ বয়সিয়াল ৰাইজে কয়।" জমিদাৰে ঢোলকাইৰ কথাত ভাল পাই ক'লে।

"হুজুৰ, আপোনাৰ স্মিৰিতি-শকতি অতি চোকা, ক'ৰই লাগিব। ইমান সামাইন কথাটোও সঠিক মনত পেলাব পাৰিছে।" ঢোলকায়ে জমিদাৰক চাওত তুলিলে।

এই কথাত জমিদাৰৰ মনত নধৰ-নপৰ লাগি গ'ল। তেওঁ অহংকাৰত ঢোলৰ দৰে ফুলি গ'ল আৰু ক'লে, "হ'ব। এতিয়া আচল কথালৈ আহাঁ।"

"হয় হুজুৰ, আহোঁ। আপোনাৰ পিতাজীয়ে আমাৰ গুৰুক টানি ধৰাত

গুৰুৱে মোক বেজালি শিক্ষাৰ অন্তত এই গাঁৱতে বেজালি কৰি থাকিবলৈ আদেশ দিলে। নহ'লে--এই গাঁৱত মই কিয় খলি পুতিব লাগিছিল? মই আমাৰ নিজৰ গাঁৱতে খুচনামী বেজ হৈ থাকিব পাৰিলোহেঁতেন। আপোনাৰ পিতাজীৰ অনুৰোধ আৰু বিমলৰ দেউতাকৰ টান বেমাৰ—এই দুয়ে মিলি এক হৈ মোক এই গাঁৱৰ পেঁকত পোতা হ'ল, হুজুৰ। গতিকে—ছাগলীৰ ক্ষতিপূৰণ—কি বোলে—তেওঁলোকেই দিয়া উচিত হয়নে নহয় হুজুৰ, আপুনিয়েই দয়া কৰি ভাবি চাওক।" ঢোলকায়ে ঢোল বজালে।

জমিদাৰ ডাঙৰীয়াই গহীন মাতেৰে ক'লে, "তেনেহ'লে ঢোলপাই—আচল অপৰাধী হ'ল দুজন। এজনমোৰেই দেউতা, আনজন বিমলৰ দেউতাৰ। কিন্তু—এওঁলোকক পাওঁ ক'ত? এওঁলোকৰপৰা ক্ষতিপূৰণ উচুল কৰোঁ কেনেকৈ?"

তেতিয়াহে খেহনেজীয়া বেজ ঢোলকায়ে জীৰ ঘূৰাই পালে। ঢোলকায়ে জমিদাৰক ক'লে, "হুজুৰৰ কথা এশ পাঁচভাগ সঁচা। স্বৰ্গীসকলৰপৰা কেনেকৈনো বাৰু ক্ষতিপূৰণ উচুল কৰা হ'ব? ইমান দূৰ স্বৰ্গলৈ যাবনো কোন? অ—সম্ভৱ!"

তেতিয়া বিমলৰ ওপৰতহে জমিদাৰৰ উগ্ৰ খং উঠিল। তেওঁ বিমলৰ ৰগত ধৰি ক'লে, "তুমি ইমানেই ভোদা যে—এজনী ছাগলী কেনেকৈ গলে-খুটাই বান্ধি পুহিব লাগে তাকো নাজানা। তোমাৰ দৰে পঠাই আৰু কেতিয়াও ছাগলী পুহিব নালাগে। যেত কুটৰ মাধ তুমিহে। মোৰ কথাৰ ইফাল-সিফাল কৰিলে জীয়াই জীয়াই ছাল কাঢ়িম। মনত ৰাখিবা।"

জালত লগা শিঙৰা যেন হৈ বিমল তাৰপৰা গুচি গ'ল, আৰু ৰাইজো জমিদাৰৰ এই বিচিত্ৰ বিচাৰ নুবুজিও বুজাৰ ভাওদি কোৰাৰি চেলেকি সেপ ঢুকি ঘৰমুৱা হ'ল।



ফলঙা ফুল

মালয়দেশৰ আতলছ গছৰ ফুলবোৰ ঠাৰিৰপৰা নোলায়, ওলায় পোনে পোনেই গা-গছ আৰু ডালৰপৰা !

লৱণ-সাগৰ

আফ্ৰিকাৰ মহাদেশৰ জিবুটি নামৰ ঠাইত থকা অছ্‌ছল হ্ৰদ হ'ল পৃথিৱীৰ সৰাতোকৈ লুণীয়া পানীৰ হ্ৰদ। এই হ্ৰদৰ পানী সাগৰ-মহাসাগৰৰ পানীৰ তুলনাত দহ গুণ অধিক লুণীয়া। এই পানীত মাছ-কাছ একো জীয়াই থাকিব নোৱাৰে। এই হ্ৰদ ৫১ ফুট (১৫৫ মিটাৰ) তলত, যাৰ নিম্নতা আফ্ৰিকাত প্ৰথম, সাগৰতলীতকৈয়ো পৃথিৱীত তৃতীয় !

দৈত্যাকাৰ হাফলু

অষ্ট্ৰেলিয়াৰ উইপৰুৱাই ২০ ফুটলৈকে (৬·৯ মিঃ) ওখ আৰু বহলে ১০০ ফুট (৩০·৫ মিঃ) হাফলু নিৰ্মাণ কৰা দেখা গৈছে !

FIRE ENGINE (FRICTION)
SUPER DUMPER (FRICTION)
WRECKER (FRICTION)
ZAP GUN (ELECTRONIC)
HELICOPTER (WIND-UP)
SAMMO
In collaboration with Sammo Corporation, S.Korea
CHANDAMAMA TOYTRONIX

NOW AVAILABLE*

Every toy in the Cuddles Collection is made to the standards set by our collaborators.

High quality synthetic fur used for the stuffing ensures the toys stay cuddly for years. Every Cuddles' fur is made of material with fast colours. The cute little eyes and nose are made of non-toxic plastic and are secured firmly to withstand child-handling.

The Sammo range of mechanical toys too are made to exacting standards set by Sammo Corporation of S. Korea, one of the leading toy manufacturers in the world.

Toys crafted to look like the real thing. With dynamic crackling sounds, glossy, non-fading colours.

Neatly and attractively packed to please the child and the parent.

Every little detail has been taken care of to ensure the child's safety and customer satisfaction.

Whether it is the children who play with Cuddles and the Sammo toys or the parents who buy them, these toys will keep everybody smiling.

*in leading toys shops in Andhra Pradesh, Karnataka, Kerala, Tamil Nadu and Bombay only

INTRODUCTORY OFFER
One set of stickers and entry form to the 'CHANDAMAMA CUDDLES-SAMMO Contest' inside every carton.

CHANDAMAMA COLLECTION

CUDDLES

In collaboration with Sammo Corporation, S.Korea

Chandamama Toytronix Private Limited,
Chandamama Buildings,
188, NSK Salai, Vadapalani, Madras-600 026.

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ জুন মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৯০ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : সুৰ-অলিয়া   দ্বিতীয় ফটো : যুঁজ-বলিয়া

পুৰস্কাৰ প্ৰাপক : বৰ্নালী দাস, জু ৰ'ড, লক্ষ্মীনগৰ, গুৱাহাটী-২৪

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাখোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

Chandamama Publications, Chandamama নাইবা Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.


AN OPEN CHALLENGE
TO ALL SKETCH PENS
Only Sharp Sketch Pens are bigger in diameter.
Only Sharp Sketch Pens have bigger and wider filters.
Only Sharp Sketch Pens have more ink, so longer life.
Sharp®
Sketch Pens
Value for money. Nothing less.
Sharp
Bi-Colour Ballpen Co. Pvt. Ltd.
AB 274/P, 275 Chitra Industrial Estate
G.I.D.C Post Office, BHAVNAGAR - 364 004.
JAISONS SH 490

CRUNCHY, MUNCHY SWEETS
The coconut cookie treat!
nutrine
COOKIES
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/8815